
শিপা
SIBSAGAR GIRLS' COLLEGE
২০২৪ বৰ্ষ

# শিপা

হাতেলিখা আলোচনী

অসমীয়া বিভাগ

শিৱসাগৰ ছোৱালী কলেজ

২০২৪ বৰ্ষ

শিপাৰ আঁৰত :

উপদেষ্টা : অসমীয়া বিভাগৰ শিক্ষাগুৰু সকল

সম্পাদিকা : বিৰলী দিহিঙীয়া

সহঃ সম্পাদিকা : অংশুমী গগৈ

বেটুপাত : অংশুমী গগৈ

অনুলেখন : ভূষণা গগৈ, বেবী গগৈ, বন্দিতা দাস, কংকনা দুৱৰা, দীক্ষিতা বড়া, মাৰ্চী বেগম।

অলঙ্কৰণ : বেবী গগৈ, দীপাশিখা ডেকা, কাবেৰী ফুকন, বিৰলী দিহিঙীয়া, মাৰ্চী বেগম, পাৰিণীতা চাৰুকীয়া, প্যাম্প্ৰতী শইকীয়া, অংশুমী গগৈ, দীক্ষিতা বড়া।

সদস্যা : মাৰ্চী বেগম, পাৰিণীতা চাৰুকীয়া, শিখামণি চাহ, জিজ্ঞাসা দত্ত, শ্যামন্তিকা বৰদলৈ, কৃষ্ণাৰাণী বুঢ়াগোঁহাই, কনকনা বৰগোঁহাই, লেখিকা ভূঞা, দীপশিখা দুৱৰা, পাৰিণীতা ৰাজকুঁৱৰী।

কৃতজ্ঞতা স্বীকাৰ : অসমীয়া বিভাগৰ শিক্ষাগুৰু সকল, ছাত্ৰী সকল, মেচৰ কৰ্ম কৰ্তাসকল আৰু শিপাৰ আঁৰৰ প্ৰতিজনলৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।



# উৎসৰ্গা

ঐতিহ্যমণ্ডিত শিৱসাগৰ ছোৱালী কলেজৰ প্ৰতিষ্ঠা কালৰে পৰা বৰ্তমানলৈকে যিসকল পূজনীয় শিক্ষাগুৰুৱে শিক্ষাদানৰ দৰে মহান কৰ্মৰে অগণন ছাত্ৰীক পোহৰৰ বাট দেখুৱাই আহিছে সেইসকল শিক্ষাগুৰুলৈ 'শিলা' উৎসৰ্গা কৰিলো।

— সম্পাদনা সমিতি

# সম্পাদকীয়.....

নমস্কাৰ, আৰম্ভণিতে শিৱসাগৰ ছোৱালী-কলেজৰ যিসকল মহান মনীষীৰ চেষ্টাৰ ফলত জন্ম লাভ কৰিছিল তেওঁলোকলৈ সশ্ৰদ্ধ সেৱা আগবঢ়ালো। 'শিপাৰ' তাঁৰত জড়িত থকা শিক্ষাগুৰু আৰু অসমীয়া বিভাগৰ সমূহ ছাত্ৰীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ

"শিক্ষাৰ উদ্দেশ্য হ'ল মানুহক মানুহ ৰূপে গঢ়ি তোলা মানুহৰ পৰিচয় প্ৰকাশত শিক্ষাৰ অৱদান তুলনাবিহীন।"

—— ৰাজা ৰামমোহন ৰায়।

নিজৰ জীৱন উন্নত কৰাৰ এক অস্ত্ৰ হৈছে শিক্ষা। শিক্ষা হৈছে জ্ঞান, দক্ষতা আৰু অভ্যাস জ্ঞানান্বিত কৰা এক প্ৰক্ৰিয়া। শিক্ষা হৈছে এক অলংকাৰ যি আমাক সফলতালৈ লৈ যাব পাৰে। সমাজ এখনৰ উন্নয়নত শিক্ষাৰ ভূমিকা গুৰুত্বপূৰ্ণ।

সাহিত্যৰ এটা অন্যতম শাখা হ'ল আলোচনী। জীৱন গঢ়াৰ কৰ্মক্ষেত্ৰত বিদ্যাৰ্জনৰত বিদ্যাৰ্থী সকলৰ অন্তঃনিহিত ভাৱৰ বহিঃপ্ৰকাশৰ প্ৰয়োজনীয় মাধ্যম হ'ল আলোচনী। এখন আলোচনীৰ জৰিয়তে শৈক্ষিক, মানসিক,


ৰাজনৈতিক, সাংস্কৃতিক, সামাজিক, অৰ্থনৈতিক আদি বিভিন্ন দিশৰ চিন্তা-চৰ্চা আগবঢ়োৱা হয়। এখন আলোচনীৰ জৰিয়তে সাহিত্যৰ বিশাল জগতখনত ভুমুকি মৰাৰ সুযোগ লাভ কৰা হয়। সেয়ে আলোচনীক সাহিত্যৰ পৃথিৱীৰ প্ৰৱেশ দ্বাৰ বুলিব পাৰি। বৰ্তমান যুগটো হৈছে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ যুগ। প্ৰযুক্তিবিদ্যাৰ দ্ৰুত অগ্ৰগতিয়ে সমাজ জীৱনত যিদৰে প্ৰভাৱ পেলাইছে ঠিক সেইদৰে সাহিত্য জগততো প্ৰভাৱ পেলাইছে। আধুনিকতাৰ পৰশ পৰা সমাজত আলোচনীৰ গুৰুত্ব ক্ৰমান্বয়ে কমি আহিবলৈ ধৰিছে। আলোচনীৰ গুৰুত্ব তথা মৰ্য্যাদা বৃদ্ধি পায় পাঠক আৰু লেখক সমাজৰ ওপৰত। যান্ত্ৰিক পৃথিৱীত আধুনিকতাই গ্ৰাস কৰাৰ সময়ত হাতে লিখা আলোচনী 'শিপা'ক জন্ম দিয়া অনুভূতি সঁচাকৈ অতুলনীয়।

২০১৩ বৰ্ষৰ পৰা শিপাই জন্ম লাভ কৰি বৰ্তমান সময়লৈকে অসমীয়া বিভাগৰ ছাত্ৰীসকলৰ সুপ্ত বিকাশ সাধিন হোৱাত সহায় কৰিছে। ২০১৩ বৰ্ষৰ পৰা বৰ্তমান সময়লৈকে শিপাৰ লগত জড়িত থকা প্ৰত্যেক পৰাকী ছাত্ৰীৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিছো।


শেষত, অনিচ্ছাকৃতভাৱে হৈ যোৱা ভুল-ভ্ৰান্তিবোৰৰ বাবে আপোনাসবৰ সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

আন্তৰিকতাৰে

বিৰলী দিহিঙীয়া।



# প্ৰবন্ধ



বিষয়ৰ সুসংগত বন্ধন,
হৃদয়ত জাগ্ৰত হোৱা ভাব,
অনুভূতি যেতিয়া ভাষাৰ
মাজেদি প্ৰাণ পায় সেয়াই,

~ প্ৰবন্ধ

# সূচীপত্ৰ


| | পৃষ্ঠা নং |
|---|---|
| প্ৰবন্ধৰ শিতান | ১-৩৬ |
| গল্প | ৩৭-৪৮ |
| কবিতা | ৪৯-৫৫ |
| অনুগল্প | ৫৬-৫৭ |
| অনুভৱৰ কৰণি | ৫৮-৬৩ |
| চলচ্চিত্ৰ সমালোচনা | ৬৪-৬৬ |
| মহৎ লোকৰ বাণী | ৬৭ |
| কুইজ | ৬৮ |
| সাঁথৰ | ৬৯ |
| কৌতুক | ৭০ |
| ৰেচিপি | ৭১-৭২ |




# গল্পকাৰ হিচাপে লক্ষ্মীনাথ বেজবৰুৱা

আধুনিক অসমীয়া চুটিগল্প পাশ্চাত্য সাহিত্যৰ প্ৰভাৱৰ ফল। "অৰুণোদয় যুগ"ত নৈতিক আখ্যান, সাধু আৰু উপকথা প্ৰকাশ হৈছিল যদিও প্ৰকৃত চুটিগল্প 'জোনাকী' যুগতহে আবিৰ্ভাৱ হয়। চুটিগল্পৰ জনক 'জোনাকী'ৰ আদৰ্শ সংস্থাপক লক্ষ্মীনাথ বেজবৰুৱা। জোনাকীৰ যুগত বেজবৰুৱাৰ বাদে আন সাহিত্যিকে চুটিগল্প ৰচনাত প্ৰয়ত্ন মোৰা নাছিল। কাৰণ গল্প সম্বন্ধে ৰচনা কৰিবলৈ দেখোতে যিমান সহজ যেন লাগে, কাৰ্যক্ষেত্ৰত সফলতা লাভ কৰা সিমানে টান। লেখক কিছুমান বিশেষ সাহিত্যিক গুণৰ অধিকাৰী হ'ব নোৱাৰিলে এই বিষয়ত কৃতকাৰ্যতা লাভ কৰা সহজ নহয়। বেজবৰুৱাই চুটিগল্প সম্বন্ধে জোনাকী পত্ৰ খাঁটীলেকে কৰ্ষণ কৰিছিলে। তেওঁ পুৰণি সাধুকথা আৰু আধুনিক চুটিগল্পৰ সংযোজক সেতুৰ দৰে। তেওঁ বহুত পুৰণি সাধু সংগ্ৰহ কৰি তেওঁৰ নিজস্ব বৈশিষ্ট্যপূৰ্ণ ভাষাত পুনঃ প্ৰকাশ দিছিলে। আন ফালে ইংৰাজী, বাংলা আদি আধুনিক সাহিত্যৰ গল্প ধাৰাৰ সামঞ্জস্য ৰাখি বেজবৰুৱাই আধুনিক সৃষ্টিত হাত দিছিল।

লক্ষ্মীনাথ বেজবৰুৱাই 'জোনাকীতে' (আভিজ চেনিচম্পা), 'কেকো কৰা', 'জয়ন্তী', 'পুত্ৰহীন পিতা' আদি গল্প প্ৰকাশ পায়। কিন্তু আনবহুতখিনি গল্প নিজৰ সম্পাদিত বাঁহীতহে প্ৰকাশ কৰিছিলে। তেওঁৰ "সাধুকথাৰ কুঁকি" (১৯১০) 'সুৰভি' (১৯০৯) আৰু 'জোনবিৰি' (১৯১৩) অসমীয়া সাহিত্যৰ প্ৰথম চুটিগল্প সংকলন পুথি। চৈধ্যটা গল্পৰ সংকলন 'কেহোঁকলি' প্ৰকাশ হয়। 'মুক্তি' 'পাটমুগী' আদি

কেইটামান গল্প মনস্তাত্ত্বিক দিশৰ পৰা উল্লেখযোগ্য হয়। অসমীয়া সমাজৰ ভিত্তিত ৰচনা কৰা গল্প সমূহৰ উপৰিও বেজবৰুৱাই ঘনিষ্ঠ ভাৱে জনা বঙালী আৰু কোলকাতা সমাজৰ চৰিত্ৰ লৈ ভালে কেইটা গল্প ৰচনা কৰি গৈছে।

ৰসৰাজ উপাধিৰে বিভূষিত বেজবৰুৱাৰ গল্পত হাস্য আৰু কৌতুকে অধিক স্থান দখল কৰি আছে। তেওঁ জন্মগ্ৰহণ কৰা বংশ আৰু তেওঁৰ দীঘল ছোৱা পৰিৱেশে বেজবৰুৱাৰ সাহিত্যিক প্ৰতিভা গঢ়ি উঠাত অশেষ সুযোগ দিছে। তেওঁৰ গল্প সমূহৰ অসমীয়া সমাজ আৰু চৰিত্ৰৰ যি অপূৰ্ব উজ্জ্বল সম্পদ বেজবৰুৱাৰ বংশৰ পৰিৱেশৰ প্ৰভাৱতেই গঢ়ি উঠা বুলি ক'ব পাৰি, বেজবৰুৱাৰ গল্পৰ আগেয়েদি সাহিত্যৰ ধাৰা প্ৰবৰ্তন হৈছিল যদিও তেখেতৰ গল্পত নৰ-নাৰীৰ আৰু মানৱতাবাদে গুৰুত্বপূৰ্ণ স্থান পাইছিল। গল্পৰ বিষয়বস্তু আৰু ভাববস্তু বাদ বৰ্জনীয় নহয়, সমকালীন সমাজ চেতনাৰ পৰিধি বেজবৰুৱা গল্পৰ বিষয়বস্তু গ্ৰহণ কৰা দেখা যায়। সেয়েহে বেজবৰুৱাৰ গল্পক প্ৰধানভাৱে দুটা ভাগত ভগাব পাৰি। প্ৰথম ভাগত সমাজ সংস্কাৰধৰ্মী অৰ্থাৎ সমকালীন সমাজৰ ভণ্ডামি, অন্তঃসাৰশূন্যতা আৰু আত্মবিশ্বাস জনিত সামাজিক কু-সংস্কাৰক তীব্ৰ ব্যংগ কৰি সমাজক সংস্কাৰ কৰিবলৈ প্ৰয়াস কৰা দেখা যায়। আৰু দ্বিতীয়টো ভাগ ব্যক্তি জীৱন সম্পৰ্কীয় অৰ্থাৎ ব্যংগ গল্পবোৰ তুলনাত উন্নত। এই শ্ৰেণীৰ গল্পত ব্যক্তিজীৱনৰ হাঁহি-কান্দোন, সুখ-দুখ নানান সংঘাত আদিৰে চিত্ৰণেৰে মানুহৰ জীৱনক সহৃদয়ভাৱে উপলব্ধি কৰোৱাবলৈ যত্ন কৰা হৈছে। বেজবৰুৱাই চুটিগল্প আৰু সাধুকথাৰ মাজত বৰ বিশেষ ব্যৱধান নাৰাখিছিল। এই কাৰণেই সাধুকথাৰ নীতি গল্প বিলাকত ঠাই

তাৰে সোমাই পৰিছে। কোনো গল্পত অবাস্তৱ ভাব আঁতৰ কৰিবৰ কাৰণে স্বপ্নতা সহায় লোৱা হৈছে।

অসমীয়া গল্প সাহিত্যৰ প্ৰবৰ্তক হিচাপে, অসমীয়া পাৰিবাৰিক আৰু সামাজিক জীৱনৰ বিভিন্ন দিশ নিখুঁতভাৱে গল্পত ফুটাই তুলিবলৈ সক্ষম হোৱাৰ কাৰণে বেজবৰুৱাৰ নাম অসমীয়া গল্প সাহিত্যৰ বুৰঞ্জীত সোণালী আখৰেৰে লিখা হ'ব নিঃ সন্দেহে ক'ব পাৰি।

— নীহা গগৈ
স্নাতকোত্তৰ তৃতীয়
ষাণ্মাসিক

# মামণি ৰয়ছম গোস্বামীৰ 'দঁতাল হাতী উঁয়ে খোৱা হাওদা' উপন্যাসৰ বিশ্লেষণ

শ্ৰীমতী নিৰাৰাণী চুতীয়া
স্নাতকোত্তৰ তৃতীয় যাণ্মাসিক

বাস্তৱ জীৱনৰ অভিজ্ঞতাৰে পুষ্ট লেখনিৰে আধুনিক অসমীয়া উপন্যাস সাহিত্যক সমৃদ্ধ কৰা এটি উজ্জ্বল নক্ষত্ৰ মামণি ৰয়ছম গোস্বামী। গল্পকাৰৰূপে সাহিত্য জগতত প্ৰৱেশ কৰা মামণি ৰয়ছম গোস্বামীয়ে ঔপন্যাসিকৰূপে আত্মপ্ৰকাশ কৰে বিংশ শতিকাৰ সোত্তৰ দশকত। স্বকীয় বৈশিষ্ট্যসম্পন্ন তেওঁৰ উপন্যাসসমূহ ভাৰতীয় বিভিন্ন ভাষালৈ অনুদিত হোৱাৰ লগতে ইংৰাজী ভাষালৈও অনুদিত হৈছে। তেওঁ অনন্য সাহিত্য সৃষ্টিৰ বাবে কথা বঁটা, সাহিত্য অকাডেমী বঁটা আৰু জ্ঞানপীঠ বঁটা লাভ কৰিবলৈ হৈছে। তেওঁৰ লেখাসমূহ প্ৰধানকৈ মানৱতাবাদী দৃষ্টিৰ আধাৰত প্ৰতিষ্ঠিত। তেওঁৰ সাহিত্যৰ জৰিয়তে সমাজৰ অন্যায়-অবিচাৰ, ভণ্ডামি, কুসংস্কাৰ, নিষ্পেষণ আদি বৈষম্যমূলক আচৰণসমূহ নিৰ্মূল কৰাৰ বাবে হাতত কলম তুলি লৈছিল। তেওঁ সমাজৰ বঞ্চিত, দৰিদ্ৰ, পীড়িত, অৱহেলিত, নিষ্পেষিত লোকসকলৰ অনুধ্যান হোৱা

বিভিন্ন সমস্যাক আধাৰ হিচাপে লৈ তেওঁ অনেক সাহিত্য ৰচনা কৰিছে। তেওঁৰ প্ৰায়ভাগ লেখাতে নাৰী হৃদয়ৰ চিৰন্তন ৰহস্যময় দিশ প্ৰকাশ কৰিছে যদিও পুৰুষ-নাৰী উভয়ৰে প্ৰতি সমতা আৰু সমব্যথা প্ৰকাশ পাইছে।

মামণি ৰয়ছম গোস্বামীৰ বহুপ্ৰশংসিত জনপ্ৰিয় আৰু শ্ৰেষ্ঠতম এখন উপন্যাস হৈছে 'দঁতাল হাতী উঁৱে খোৱা হাওদা'। উপন্যাসখনত সমাজত পৰম্পৰাগতভাৱে চলি অহা অন্ধবিশ্বাস, কু-সংস্কাৰ তথা ধৰ্মীয় গোড়ামীৰ বিৰুদ্ধে এক প্ৰতিবাদ আৰু সামন্তবাদী ধ্যান-ধাৰণাৰ অৱসান ঘটাই এখন নতুন সমাজ গঢ়াৰ প্ৰয়াস লক্ষ্য কৰা যায়। উপন্যাসখনৰ পাতনিত ঔপন্যাসিকে কৈছে - "এই পৃথিৱীত মানুহে মানুহক প্ৰতিষ্ঠা কৰিব নোৱাৰাৰ এক সুকঃ প্ৰতিধ্বনি অন্তঃ হৃদিলাৰ দৰে উপন্যাসখনৰ মাজেৰে প্ৰবাহিত কৰাৰ চেষ্টা কৰা হৈছে।"

উপন্যাসখনৰ পটভূমি দক্ষিণ কামৰূপৰ আমৰঙা সত্ৰ। তথাকথিত সমাজ আৰু সত্ৰৰ দোহাই দি অভিজাত ব্ৰাহ্মণশীল একোটা পৰিয়ালত নাৰীৰ জীৱন যে দুৰ্বিসহ হৈ উঠে, তাৰ জীৱন্ত সাক্ষ্যৰ আলোচ্য উপন্যাসখনৰ বহুকেইটা নাৰী চৰিত্ৰ। এটা

সামন্তযুগৰ সামন্তবাদী সমাজব্যৱস্থাত কিমান ধৰ্মীয় বিশ্বাস, গাযমপাষাৰ অংশুনৰ মাজত মুক্তি কামী নৰ-নাৰীৰ যন্ত্ৰণা, ক্ষোভ আৰু প্ৰতিবাদৰ কাহিনী বিভিন্ন চৰিত্ৰ আৰু ঘটনাৰ মাজেদি প্ৰোজ্জ্বলে অনা হৈছে। সামন্তযুগীয় সত্ৰসমাজৰ অন্ধকাৰে কেনেদৰে ব্যক্তিৰ জীৱন যন্ত্ৰণাময় কৰি তুলিছে আৰু সমাজৰ কু-সংস্কাৰৰ বোজাত তুষ্ট হৈ মুক্তিৰ পথ বিচাৰি নাপাই আত্মঘাতী লব লগা হৈছে সকলোৰ। ইন্দ্ৰনাথ, গিৰিবালা, দুৰ্গা, ইলিমন আদিলোকে জীৱনজীৱ বিষাদবোধেৰে আচ্ছন্ন। দণ্ডাল হাতী জগন্নাথে এটা যুগ ধৰি লোহাৰৰ খোচ বহন কৰি অংশেষত যিদৰে বিদ্ৰোহ কৰিছে তেনেদৰে বঞ্চিত নাৰী হৃদয়েও প্ৰতিবাদ কৰিছে।

তৈলন্যাসঘাটিত চৈনাধিত দক্ষিণ কামৰূপৰ আমবাৰী সত্ৰৰ ঘুণাধৰা সামন্ততান্ত্ৰিক ব্যৱস্থাই লাহে লাহে সামন্তবাদী ৰীতি-নীতি, ধৰ্মীয় গোড়ামীৰ ওপৰত আঁৰ নষ্ট কৰিবলৈ সন্মত নহ'লেও কমইনিজমৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ তেওঁলোকৰ বিশ্বাসকলে নিজৰ মাটিৰ অধিকাৰ দাবী কৰিছে আৰু বিদ্ৰোহ আৰম্ভ কৰিছে

সত্ৰাধিকাৰৰ একমাত্ৰ পুত্ৰ ইন্দ্ৰনাথ এজন শিক্ষিত উদাৰ মনৰ যুৱক। তেওঁ সমাজৰ অন্ধবিশ্বাস, কু-সংস্কাৰৰ অৱসান বিচাৰে। জমিদাৰী ব্যৱস্থাৰ সংশোধন বিচাৰে। কিন্তু সত্ৰৰ সম্ভ্ৰান্ত আৰু ৰক্ষণশীল পৰিৱেশত ডাঙৰ-দীঘল হোৱা ইন্দ্ৰনাথে সামন্তবাদী প্ৰথাৰ সম্পূৰ্ণ বিৰোধাচৰণ কৰিব পৰা নাই। যিহেতু পুৰণি পৰম্পৰাৰ সংস্কাৰ বিচাৰিও তেওঁ বংশ পৰিয়ালক দোষী কৰিব নোৱাৰাৰ বাবে দোদুল্যমান অৱস্থাত ওলমি আছে।

দঁতাল হাতী উঁয়ে খোৱা হাওদা উপন্যাসখনিৰ নামাকৰণত নিহিত হৈ আছে এক প্ৰতীকী ব্যঞ্জনা। দঁতাল হাতীয়ে বল-শক্তিৰ আভাস দিছে আৰু হাতীৰ পিঠিৰ হাওদাই আভিজাত্যৰ ইংগিত বহন কৰিছে। কিন্তু সেই হাওদাত উঁয়ে ধৰিছে। সত্ৰৰ বৰগোসাঁইৰ জীয়াৰী গিৰিবালাই কৈশোৰ কালতেই বৈধব্য জীৱন আকোৱালি লৈ সন্মুখীন হৈছে অনাহুত সমস্যাৰ। সাহিত্যৰ প্ৰতিবন্ধক আৰু ধৰ্মীয় গোসাঁইৰ গিৰিবালাৰ জীৱন কৰি তুলিলে যন্ত্ৰণাময়। বিধৱা গিৰিবালা স্বামী গৃহৰ পৰা পিতৃ গৃহলৈ উভতি আহিছে কিন্তু প্ৰচলিত নিয়ম অনুসৰি পিতৃ গৃহতো বিধৱাৰ কঠোৰ নীতি-নিয়ম পালন কৰিব লগা হৈছে।

উপন্যাসখনিত গিৰিবালাৰ সমান্তৰালকৈ আৰু দুটা নাৰী চৰিত্ৰ দুৰ্গা আৰু সৰু গোসাঁনীৰ জীৱনৰ চিত্ৰ অংকন কৰা হৈছে। তেওঁলোকে পৰম্পৰাগত ৰক্ষণশীলতাৰ আৱৰ্তত নিজৰ জীৱন উৎসৰ্গা কৰিছে। কিন্তু তেওঁলোকৰ দৰে গিৰিবালাই সেই ধৰ্মীয় গোড়ামী আৰু ৰক্ষণশীলতাক গ্ৰহণ কৰিব পৰা নাই। যেয়েহে গিৰিবালাই কমলকান্তৰ কাজৰ ভোজৰ খাদ্য মাংস মুখত দিছে। যাৰ বাবে গিৰিবালাই সন্মুখীন হৈছে অৱৰ্ণনীয় যন্ত্ৰণা, পাপ আৰু প্ৰায়শ্চিত্তৰ বিধান। গিৰিবালাৰ এই কাৰ্য কেৱল এগৰাকী কিশোৰী বিধৱাৰ অদমনীয় প্ৰলোভন নহয়। সামন্ততান্ত্ৰিক সমাজত জাত-পাতৰ গুৰুত্ব আদিক সকলো অধিকাৰৰ পৰিচালক আগস্থান দিয়া হয় সেই সমাজতেই নাৰী জীৱনৰ মূল্য নাই।

পৰ নাৰীৰ সান্নিধ্যৰ কাৰণে আকুল স্বামীৰ সোঁৱৰণে যেন গিৰিবালাৰ ব্যভিচাৰত ইন্ধন যোগাইছিল। যেয়েহে গিৰিবালাই কোনোদিনে দুৰ্গাৰ দৰে আন্তৰিকতাৰে 'খৰম পূজা' কৰিব পৰা নাছিল। স্বামীগৃহৰ পৰা উভতি আহি পিতৃ-গৃহত সন্মুখীন

হোৱা নিয়মৰ অন্যবোধৰ কথাৰে আৰু চাহাবৰ 'সান্নিধ্য' গিৰিবালাক ক্ৰমান্বয়ে বিদ্ৰোহী আৰু সাহসী কৰি তুলিছিল। গিৰিবালাৰ বিদ্ৰোহে চূড়ান্ত পৰ্যায় অতিক্ৰম কৰিছিল যেতিয়া গিৰিবালাক ধৰ্মীয় তথা সমাজৰ ধৰ্মধ্বজাৰ বিধান মানি স্বামী গৃহলৈ উভতাই পঠোৱাৰ দিহা কৰা হৈছিল। যেতিয়া স্বামীগৃহৰ মানুহ আমতে সঙ্গত পলালন কৰিলে তেতিয়া গিৰিবালাই নিজৰ জীৱনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে যুক্তিবাদী মনোভাৱেৰে। জীৱনটোক নতুনকৈ গ্ৰহণ কৰিবৰ কাৰণে সমাজৰ বাধা নিষেধ আওকাণ কৰি দোপাগধাতি বতাহ-বৰষুণ নেওচি মাৰ্ক চাহাবৰ ওচৰত আত্মসমৰ্পণ কৰিছে। তাৰ পিছত গিৰিবালাই সন্মুখীন হৈছে প্ৰায়শ্চিত্তৰ। মেধদাহঁৰ বাবে সাজু কৰি থোৱা গৃহতে প্ৰায়শ্চিত্তৰ বিধান দিলে পুৰোহিতে। মেধদাহ গৃহৰ ভিতৰত সোমাই গিৰিবালাই যেন নিজৰ সিদ্ধান্ত লৈ পেলালে। এই প্ৰায়শ্চিত্তৰ বিধান মানি লৈ এক ধৰণৰ অগহনীয় জীৱন - যাপন কৰাতকৈ মৃত্যুয়েই শ্ৰেয়পথ।

পুৰুষোত্তম ভাগৱতীয়ে আটাই পাৰি উঠিল —

অপ্ৰবিত্ৰ হৈ গৈছি, এতে আৰু মেঘদাহঁ হবাই নেৰে দি ভেল্লৈই জুই লগে দি। সময় বয় হবা লাগিছি।"–২৫

জুই লগোৱাৰ আগতেই পুৰোহিতে গিৰিবালাক জনাইছে মেঘদাহ গৃহৰ বাহিৰ হৈ যাবলৈ। কিন্তু গিৰিবালাই জুই লগোৱা পাছত ওলাই যাব বুলি কৈছে যদিও বাহিৰ হৈ নগ'ল। পোৰা মঙহৰ গোন্ধ চৌদিশে বিয়পি পৰিল। গিৰিবালাৰ ইচ্ছামৃত্যুয়ে পুৰুহিতক আত্মগ্লানিৰে ভৰাই তুলিছে। প্ৰকৃতাৰ্থত এয়া গিৰিবালাৰ মৃত্যু নহয়, এয়া যেন এক প্ৰতিবাদী সত্ত্বাৰ মুক্তিৰ হাবিয়াস।


সতক কেন্দ্ৰ কৰি গঢ় লৈ উঠা এই সমাজখনে ধৰ্মীয় পৰম্পৰা আৰু লোকাচাৰৰ দোহাই দি নাৰীৰ জীৱন দোষময় কৰি তুলিছে। অন্ধ সংস্কাৰে পুৰুষ-নাৰী উভয়কে আচ্ছন্ন কৰি ৰাখিছে।

উপন্যাসৰ শেষৰফালে জগন্নাথ নামৰ হাতীটো পাগলা হৈছে। এই দঁতাল হাতীটো সত্ৰাধিকাৰ পৰিয়ালৰ বংশ, মৰ্যাদা আৰু আভিজাত্যৰ প্ৰতীকস্বৰূপে। মানসিক ভাৰসাম্য হেৰুৱাই পেলোৱা জগন্নাথে এদিন তাৰ পিঠিৰ কাৰুকাৰ্য খচিত হাওদাখন আচাৰি পেলাইছে। হাতীটোৰ এই কাৰ্য আৰু পাৰিপাটি সামন্তবাদী সমাজ ব্যৱস্থাত চিৰদিন অবিচাৰৰ বলি হোৱা তথা দলিত নিম্ন বৰ্ণ প্ৰজাৰ সাধাৰণ আৰু নাৰীৰ তীব্ৰ প্ৰতিবাদকে নামান্তৰ বুলিব পাৰি।

মামণি ৰয়ছম গোস্বামীৰ বলিষ্ঠ প্ৰকাশভংগীত 'দঁতাল হাতী উঁয়ে খোৱা হাওদা' এখন সৰ্বাংগসুন্দৰ উপন্যাসৰূপে উজলি উঠিছে। এই উপন্যাসখনৰ পৰিৱেশ আৰু পাৰিপাৰ্শ্বিকতা বাস্তৱধৰ্মী হোৱাৰ লগতে চৰিত্ৰসমূহ জীৱন্ত। ইন্দ্ৰনাথ, গিৰিবালা, ইলিমন, দুৰ্গা, সৰুগোসাঁনী, মাৰ্ক চাহাব প্ৰতিটো চৰিত্ৰই

যেন তেজে মঙহৰ এটা মানুহ। প্ৰায়শ্চিত্ত কৰিবলৈ গৈ গিৰিবালাই মেঘদাহৰ অসময়ত স্ব-ইচ্ছাই মৃত্যুক আকোঁৱালি লৈছে। সংস্কাৰবাদী ইন্দ্ৰনাথৰ হত্যা কৰিছে বিদ্ৰোহী কৃষকে আৰু জগন্নাথক উন্মাদ হোৱাৰ বাবে গুলীয়াই হত্যা কৰা হৈছে। অতীতৰ কু-সংস্কাৰ আৰু অন্ধবিশ্বাসৰ কৰাল গ্ৰাসৰ পৰা মুক্ত কৰি এখন প্ৰগতিশীল নতুন সমাজ গঢ়াৰ স্বাৰ্থত এই প্ৰতিটো অস্বাভাৱিক মৃত্যু হয়তো অনিবাৰ্য আছিল।

'দঁতাল হাতী উঁয়ে খোৱা হাওদা' উপন্যাসখন নিঃসন্দেহে এখন শ্ৰেষ্ঠ উপন্যাস। উপন্যাসৰ যোগেদি ঔপন্যাসিকাই এটা জীৱনৰ ছবি দাঙি ধৰিছে বাস্তৱধৰ্মী আৰু কলাসুলভ দক্ষতাৰে। ব্যক্তিগত জীৱনৰ চাক্ষুস অভিজ্ঞতাৰ সফল ৰূপায়ণ 'দঁতাল হাতী উঁয়ে খোৱা হাওদা'। ই এটা যুগৰ এটা দলিল। স্মৰণীয় বিশেষত্বই উপন্যাসক এখন যুগজয়ী উপন্যাসলৈ প্ৰতিষ্ঠিত কৰিছে। সাৰ্বজনীন মানৱৰ চিৰন্তন অন্তৰৰ অনুভূতিৰ কলাত্মক প্ৰকাশৰ বাবে উপন্যাসখন সদায় পাঠক সমাজৰ বাবে আদৰণীয় হৈ ৰ'ব।



# ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত চৰাইদেউ মৈদাম

৬০০ বছৰীয়া আহোম ৰাজশাসনৰ সোণালী ঐতিহ্য বহন কৰিছে চৰাইদেউ মৈদামে। ২০২৪ চনৰ ২১ জুলাইৰ পৰা ৩১ জুলাইলৈকে নতুন দিল্লীত অনুষ্ঠিত হয় ইউনেস্কোৰ বিশ্ব ঐতিহ্য সমিতি। ২৬ জুলাই তাৰিখে ৰাষ্ট্ৰসংঘৰ শিক্ষা বিজ্ঞান আৰু সংস্কৃতি সংস্থা চমুকৈ ইউনেস্কোৱে চৰাইদেউ মৈদাম ক্ষেত্ৰক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰূপে ঘোষণা কৰে। চৰাইদেউ মৈদাম উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন বিশ্ব ঐতিহ্য ক্ষেত্ৰ আৰু ভাৰতবৰ্ষৰ ৪৩ সংখ্যক বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে চিহ্নিত হৈছে। আনহাতে অসমৰ তৃতীয় বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে চিহ্নিত হৈছে। চৰাইদেউ মৈদাম অসমৰ পিৰামিড হিচাপে অভিহিত কৰা হয়।

চৰাইদেউৰ মৈদাম বোৰ মাটিৰ বৃহৎ টিলা অৰ্থাৎ পিৰামিড আকৃতিত গঠনৰ সৈতে মিল আছে। এই টিলা সমূহত মজুত মৃতকৰ

সমাধিস্থ কৰা হয় আৰু বিভিন্ন সামগ্ৰীও দিয়া হয়। চৰাইদেউ মৈদাম ক্ষেত্ৰসমূহত ৯০ গৰাকীকৈও অধিক আহোম ৰাজ পৰিয়ালৰ লোকৰ সমাধিস্থ কৰা হৈছে।

চৰাইদেউ মৈদামে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি লাভ কৰাত অসমৰ পৰ্যটন ক্ষেত্ৰখনে ব্যাপক উদ্‌গনি লাভ কৰিব। অসমলৈ অহা পৰ্যটকৰ সংখ্যা বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। ফলত অৰ্থনীতি ক্ষেত্ৰত উন্নতি হ'ব। ইয়াৰ লগতে অঞ্চলটোৰ সামগ্ৰিক, অৰ্থনীতি, ভৌগলিক দিশত উন্নতি হোৱাত প্ৰচুৰ পৰিমাণে উদ্‌গনি জগাব পাৰে। শিক্ষাৰ ক্ষেত্ৰতো চৰাইদেউ মৈদামে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে।

নাম — ৰিৱলী দিহিঙীয়া

পঞ্চম ষাণ্মাসিক।

# সত্ৰীয়া নৃত্য

গুৰু ব্ৰহ্মা, গুৰু বিষ্ণু, গুৰু দেৱ মহেশ্বৰ।
গুৰু সাক্ষাৎ পৰম ব্ৰহ্ম তস্মৈ শ্ৰী গুৰুৱে নমঃ॥

সংস্কৃতি চিৰপ্ৰবাহমান। আবহমান কালৰে পৰাই ভাৰতীয় সভ্যতা সংস্কৃতিয়ে জনমানসত গভীৰ ৰেখাপাত কৰি আহিছে। এই ভাৰতীয় সভ্যতাৰ বুকুতে গঢ়লৈ উঠিছে অসমৰ জাতি উপজাতি ভাষা-ভাষীৰ বৃহৎ অসমীয়া সংস্কৃতি। এই অসমীয়া সংস্কৃতিৰ গতিধাৰাক এক প্ৰণালীবদ্ধ পৰিমিলিত ৰূপত পুনৰ প্ৰতিষ্ঠা কৰিলে বৰ অসমৰ ভেটি গঢ়োতা যুগ নায়ক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ।

সত্ৰীয়া নৃত্য ভাৰতৰ সংগীত নাটক একাডেমীয়ে শাস্ত্ৰীয় নৃত্য হিচাপে মৰ্য্যাদা প্ৰদান কৰা আঠটা নৃত্য শৈলীৰ অন্যতম। সত্ৰীয়া নৃত্যৰ সত্ৰীয়া শব্দটোৰ সত্ৰৰ পৰা আহিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰতিষ্ঠিত সত্ৰসমূহৰ যোগেৰে প্ৰায় ১৫ শ শতিকাৰ পৰাই এই নৃত্যধাৰা অসমত প্ৰচলিত হয়। সত্ৰীয়া নৃত্য মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু তেওঁৰ প্ৰিয় শিষ্য মাধৱদেৱে ভক্তি ধৰ্ম প্ৰচাৰৰ অৰ্থে শাস্ত্ৰীয় নৃত্যৰ সম্পদক আশ্ৰয় কৰি সৃষ্টি কৰা আৰু তেওঁৰ

পৰৱৰ্তী প্ৰচাৰক সকলে কিছু পৰিমাণে সংবৰ্দ্ধন ঘটোৱা আৰু সত্ৰসমূহৰ হাতত সংৰক্ষিত ; পৰিবৰ্দ্ধিত ; পৰিশীলিত আৰু ব্যাকৰণ সন্মত হিচাপে জনপ্ৰিয় হৈ উঠা নৃত্য বিধাকে সাধাৰণতে সত্ৰীয়া নৃত্য বুলি কোৱা হয়। ২০০০ চনৰ ১৫ নৱেম্বৰত এক স্বকীয়া শৈলীৰ এই নৃত্যক সংগীত নাটক একাডেমীয়ে ভাৰতৰ অন্যতম শাস্ত্ৰীয় নৃত্যৰ মৰ্য্যাদা প্ৰদান কৰে। ইয়াৰ পাছতে নৱ প্ৰজন্মৰ মাজত সত্ৰীয়া নৃত্য বিধাই অধিক জনপ্ৰিয়তা লাভ কৰিবলৈ ধৰে।

সত্ৰীয়া নৃত্য সমূহ বিভিন্ন ভাগত ভাগ কৰা হৈছে। ভাগ সমূহ হৈছে - সূত্ৰধাৰ, অপ্সৰা নৃত্য, বেহাৰ নৃত্য, চালি নৃত্য, দশাৱতাৰ নৃত্য, নাদুভঙ্গী নৃত্য, ৰাস নৃত্য, গোঁসাই প্ৰবেশ আৰু গোপী প্ৰবেশ ইত্যাদি।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দ্বাৰা পঞ্চদশ শতিকাতে সৃষ্টি হোৱা সত্ৰীয়া নৃত্যই বিভিন্ন স্তৰৰ মাজেদি ক্ৰমবিকাশ লাভ কৰি আজিৰ অৱস্থাত উপনীত হ'বলৈ সক্ষম হৈছেহি। শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱ গুৰু দুজনাৰ দিনৰ আহোম শাসনৰ পৰা বৰ্তমানৰ লৈকে অসমৰ সত্ৰীয়া নৃত্যই বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে আজিৰ এই অৱস্থা পাইছেহি। পৰিৱেশ্য কলা হিচাপে বৰ্তমান সৃষ্টিৰ নামত সত্ৰীয়া নৃত্যত কোনো কোনোৱে

অপাংক্তেয় কৰা দেখা যায়। নৃত্য প্ৰদৰ্শন কৰিবলৈ ব্যৱহাৰ কৰা সাজ-পোছাক বা কেতিয়াবা নৃত্যাংশ নতুনত্বৰ নামত বিসংগতি পূৰ্ণ অৱস্থা দেখা যায়। এনে ক্ষেত্ৰত কেৱল সত্ৰৰ বৈষ্ণৱ সকলকেই দোষাৰোপ নকৰি সত্ৰীয়া নৃত্য গীত বাদ্য সমূহে অসমীয়া জাতিৰ গৌৰৱ হিচাপে ভাবি পৰিৱেশন কৰিলে নিশ্চয় সত্ৰীয়া নৃত্য গীত বাদ্য সমূহে আৰু অধিক জনপ্ৰিয়তা লাভ কৰাৰ লগতে গুৰু-দুজনাৰ অমৰ সৃষ্টি হিচাপেও যুগ যুগান্তৰলৈকে সমূচিত সন্মান পাব। তেতিয়া সত্ৰীয়া নৃত্য উৎপত্তি আৰু ক্ৰমবিকাশৰ ধাৰা সম্পূৰ্ণ ৰূপত আগুৱাই যাব।


—— শ্ৰীমতী প্ৰতিভা নেঁওগ

—— স্নাতক পাঠ্যক্ৰম ষাণ্মাসিক

# যুৱ উচ্ছৃংখলতা : ইয়াৰ কাৰণ আৰু প্ৰতিকাৰ

শ্ৰীমতী তনয়া গগৈ
প্ৰথম ষাণ্মাসিক

এখন দেশৰ আৰ্থিক উন্নয়নৰ মূল চালিকাশক্তি হ'ল যুৱ সমাজ। সম্প্ৰতি এই যুৱশক্তিক কেন্দ্ৰ কৰি সমাজত গা কৰি উঠা এটা প্ৰধান সমস্যা হ'ল - যুৱ উচ্ছৃংখলতা। যাইকে ১৪/১৫ বছৰ বয়সৰ পৰা ২৫/৩০ বছৰৰ অনূৰ্দ্ধ, অবিবাহিত যুৱক-যুৱতীৰ চিত্তবৃত্তত, পৰিৱেশ, পৰিস্থিতিৰ প্ৰতিকূলতাত ইয়াৰে এচাম যুৱক-যুৱতীয়ে আত্ম নি[illegible] হেৰুৱাই পেলোৱাৰ ফলতেই সৃষ্টি হয় যুৱ উচ্ছৃংখলতা।



কোনো চিটি অথবা হেকা-গাৱেৰে স্ব-ইচ্ছাই উচ্ছৃংখল আচৰণ প্ৰদৰ্শন নকৰে। ইয়াৰ আঁৰত থাকে আন কিছু আনুষংগিক বিষয়। যুৱ সমাজৰ এচাম বিপথে যোৱাৰ মূল কাৰণ বিচাৰিবলৈ গ'লে পৰিয়াল, সমাজ, ৰাজ্য তথা দেশৰ পাৰিপাৰ্শ্বিক অৱস্থাৰ কথা আহি পৰে। সাম্প্ৰতিক সমাজত কিশোৰ-কিশোৰী তথা কম বয়সীয়া যুৱক-যুৱতীক বিনাদ্বিধাই ভোগ সৰ্বস্ব জীৱনৰ সহজ পথ দেখুৱাই দিয়াৰ বাবে প্ৰথম জগৰীয়া পিতৃ-মাতৃ, অভিভাৱকসকল। আধুনিক সমাজ মানেই বন্ধনহীন উন্মুক্ত সমাজ। এনে এখন সমাজত অভিভাৱকৰ সময়োপযোগী নিয়ন্ত্ৰণ অবিহনে যুৱ মানসত উচ্ছৃংখলতা সৃষ্টি হোৱাটো অস্বাভাৱিক নহয়। টেলিভিচনযোগে প্ৰচাৰিত বিভিন্ন দেশী-বিদেশী চেনেলসমূহৰ কোনবোৰহে জ্ঞান বৰ্দ্ধক আৰু দৰ্শনৰ উপযোগী সেয়া সকলোৱে

শিশুক নিৰ্দ্ধাৰিত কৰি দিয়াটো অভিভাৱকৰ কৰ্তব্য। অনুশাসনহীনতাই যুৱ সমাজত উচ্ছৃংখলতাৰ বীজ ৰোপণ কৰাত ইন্ধন যোগায়। অভিজাত পিতৃৰ ধনেৰে যেতিয়া যুৱসমাজৰ কোনো কোনোৱে বিলাসী অপূৰ্ণ গাড়ী, বাইকত উঠি, হাতে হাতে মবাইল ফোন লৈ পঢ়াৰ নামত সহপাঠী বা অন্যান্য পথচাৰীক মানসিক ভাৱে আক্ৰান্ত কৰে, তেতিয়া সমাজৰ কেইজন আগবাঢ়ি আহে সেয়া বিমৰ্ষৰ বিষয়। দেশৰ ভৱিষ্যৎ 'যুৱ প্ৰজন্মৰ হাতত' বুলি কলেই নহ'ব, বৰং তেওঁলোকক সঠিক দিক্‌দৰ্শন কৰোৱাটোহে হ'ব আমাৰ সকলৰ প্ৰধান কৰ্তব্য। বৰ্তমান শিক্ষানুষ্ঠান, সাংস্কৃতিক মঞ্চ, খেল পথাৰ, চিনেমা হল আমোদ-প্ৰমোদৰ ঠাই, সকলোতে চকুত পৰে এচাম উচ্ছৃংখল যুৱক-যুৱতীৰ আচৰণ। এয়া আঁচলতে উদ্বেগৰ কাৰণ। সম্প্ৰতি শিক্ষাগত অৰ্হতা থকা স্বত্বেও উপযুক্ত কৰ্মসংস্থাপনৰ অভাৱ দেখা দিয়া বিধনুৰা সমস্যাই যুৱ প্ৰজন্মক হতাশাগ্ৰস্ত কৰি তুলিছে। যুৱ উচ্ছৃংখলতাৰ অন্য এক কাৰণ হ'ল - নিচাযুক্ত দ্ৰব্য। মদ, ভাং, কানি ইত্যাদি নিচাযুক্ত ড্ৰাগছ সেৱন কৰি আজি বহু উঠি অহা যুৱকে সমাজলৈ অন্ধকাৰ কঢ়িয়াই অনা পৰিলক্ষিত হৈছে।

এনে এক অশুভ আচৰণক ৰোধ কৰাৰ প্ৰথম উপায় হ'ল যুৱ আস্তিক সৎ, চিন্তা, সৎ কৰ্মত জড়িত কৰি ৰখা। দ্বিতীয়তে পিতৃ-মাতৃ, সমাজৰ অগ্ৰণী লোক, শিক্ষক তথা চৰকাৰো সদায় সচেতন হ'ব লাগিব। ঘৰুৱা পৰিৱেশক সুস্থ আৰু

নিৰ্মাণ কৰি তুলিব লাগিব। বিদ্যালয়ত পুথিগত অধ্যয়নৰ লগতে খেলা-ধূলা, নৃত্য-সংগীত কলাৰ দৰে সুকুমাৰ শিল্পৰ চৰ্চা, জ্ঞানৰ পৰিসৰ বৃদ্ধিৰ বাবে বিভিন্ন পাঠৰ অভ্যাস কৰিব লাগে। ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন সৃষ্টিশীল কৰ্ম যেনে - ভ্ৰমণৰ জৰিয়তে দেশ, জাতি, মানুহৰ সমাজৰ কথা জনোৱা, আনৰ প্ৰতি দয়াশীল হোৱাৰ বাবে উদগনি যোগোৱা, ছাত্ৰ জীৱনৰ পথ সঠিকভাৱে নিৰূপণ কৰি লোৱাত দিগদৰ্শী হোৱা শিক্ষকবোৰ অনিবাৰ্য হ'লে যুৱ মানসিকতাৰ কেতিয়াও স্খলন হ'ব নোৱাৰে।

# পেৰিছ অলিম্পিক ২০২৪

অলিম্পিক হৈছে বৰ্তমান বিশ্বত অনুষ্ঠিত সৰ্ববৃহৎ অনুষ্ঠান সমূহৰ এটা। অলিম্পিক ক মূলতঃ গ্ৰীষ্ম কালীন আৰু শীতকালীন দুটা ভাগত ভাগ কৰা হয়। অলিম্পিক খেল সমূহত পৃথিৱীৰ বিভিন্ন দেশৰ হাজাৰ হাজাৰ খেলুৱৈ প্ৰতিযোগীয়ে বিভিন্ন ধৰণৰ খেলত অংশগ্ৰহণ কৰে, অলিম্পিকক বিশ্বৰ সকলোতকৈ প্ৰাচীন আৰু সকলোতকৈ মৰ্যাদাপূৰ্ণ ক্ৰীড়া প্ৰতিযোগিতা বুলি গণ্য কৰা হয়। বৰ্তমান অলিম্পিক দুবছৰৰ মূৰত অনুষ্ঠিত হয়। এখন গ্ৰীষ্মকালীন অলিম্পিক হৈ যোৱাৰ পাছত পাছৰখন শীতকালীন অলিম্পিক অনুষ্ঠিত হয়। অৰ্থাৎ দুখন গ্ৰীষ্মকালীন বা দুখন শীতকালীন অলিম্পিকৰ মাজৰ অন্তৰ চাৰি বছৰ। খ্ৰীষ্টপূৰ্ব ৪ৰ্থ শতিকাত প্ৰাচীন গ্ৰীচৰ অলিম্পিয়া চহৰত অনুষ্ঠিত হোৱা প্ৰাচীন অলিম্পিকৰ ধাৰণাৰেই আধুনিক অলিম্পিক আৰম্ভ কৰা হয়। বাৰ'ন পীয়েৰ ডে কুবাৰ্টিনে ১৮৯৪ চনত আন্তঃৰাষ্ট্ৰীয় অলিম্পিক কমিটি (IOC) গঠন কৰে। তেতিয়াৰে পৰা IOC য়ে আধুনিক অলিম্পিকৰ

আয়োজন কৰি আহিছে।

বিশ্বৰ ক্ৰীড়াক্ষেত্ৰৰ সৰ্বোচ্চ প্ৰতিযোগিতা পেৰিছ অলিম্পিক ২০২৪ চনৰ ২৬ জুলাইত আনুষ্ঠানিক ভাৱে উদ্বোধনৰ পূৰ্বে ২৪ জুলাইত বিভিন্ন খেলৰ প্ৰতিযোগিতা আৰম্ভ হৈছে। ফ্ৰান্সত ৰাজনৈতিক অস্থিৰতাৰ মাজতে পেৰিছ অলিম্পিক আৰম্ভ হৈছে। ২০২৪ গ্ৰীষ্মকালীন যাক গেমছ অৰ ৩৩ অলিম্পিয়াদ বুলি কোৱা হয়। অৱশ্যে ইয়াৰ সেগু নেম হৈছে পেৰিছ ২০২৪। ইতিমধ্যে এই প্ৰতিযোগিতাখন সুচাৰু ৰূপে পৰিচালনা কৰিবলৈ দেশখনত নিৰাপত্তা দুৰ্গত পৰিণত হৈছে ফ্ৰান্স। দেশখনৰ পেৰিছত মূল প্ৰতিযোগিতাৰ লগতে উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়। এই প্ৰতিযোগিতা ২০৬ খন দেশে অংশ গ্ৰহণ কৰিছে। ৩২ বিধ খেলৰ ৩২৯ ইভেণ্টত ১০,৭১৪ এথলীটে অংশ লৈছে। ২৬ জুলাইত আনুষ্ঠানিক ভাৱে আৰম্ভ হোৱা এই প্ৰতিযোগিতাখন অহা ১১ আগষ্টত সামৰণি পৰিব। এই পেৰিছৰ লগতে দেশখনৰ ১৬ খন চহৰত প্ৰতিযোগিতা সমূহ অনুষ্ঠিত হ'ব। ২০১৭ চনৰ ১৩ চেপ্তেম্বৰত পেৰু-ৰ লিমাত অনুষ্ঠিত ১৩১ সংখ্যক আই.চিৰ বৈঠক পেৰিছত ২০২৪ গ্ৰীষ্মকালীন অলিম্পিক অনুষ্ঠিত কৰাৰ চূড়ান্ত সিদ্ধান্ত লোৱা হয়। এই

প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ বাবে বিভিন্ন দেশে ইচ্ছা প্ৰকাশ কৰিছিল। যদিও পৰৱৰ্তী সময়ত বহুকেইমন দেশে অলিম্পিক আয়োজনৰ পৰা নিজৰ নাম প্ৰত্যাহাৰ কৰাত কেৱল পেৰিছ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ লছ এঞ্জেলছ প্ৰতিদ্বন্দ্বিতাত থাকে। আন্তৰ্জাতিক অলিম্পিক কমিটীয়ে অৱশেষত পেৰিছক ২০২৪ অলিম্পিক প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ চূড়ান্ত অনুমোদন দিয়ে আৰু সম্প্ৰতি পেৰিছ অলিম্পিক চলি আছে। পেৰিছ হৈছে অলিম্পিক প্ৰতিযোগিতা তৃতীয় বাবৰ আয়োজন কৰা দ্বিতীয়মন চহৰ। ইয়াৰ পূৰ্বে পেৰিছত ১৯০০ আৰু ১৯২৪ চনত অলিম্পিক অনুষ্ঠিত হৈছিল। পেৰিছৰ পূৰ্বে অলিম্পিক তৃতীয় বাবৰ বাবে আয়োজন কৰা চহৰ হৈছে লণ্ডন। লণ্ডনত ১৯০৮, ১৯৪৮ আৰু ২০১২ চনত অলিম্পিক আয়োজন কৰা হৈছিল। প্ৰতিযোগিতাসমূহৰ অধিকাংশ খেলেই পেৰিছ চহৰত আয়োজিত হ'ব। বাকী খেল সমূহৰ ভিতৰত পেৰিছ চহৰত অঞ্চলৰ ছেইন্ট ডেনিছ, লে বাৰ্গেট, নাণ্টেৰে, ভেৰ্ছেলিছ আৰু ভেইৰেছ সুৰ মাৰনেত আয়োজিত হ'ব। বাস্কেটবলৰ প্ৰাৰম্ভিক আৰু হেণ্ডবলৰ চূড়ান্ত খেল লিলেত অনুষ্ঠিত হ'ব। পেৰিছৰ পৰা ইয়াৰ দূৰত্বপ্ৰায় ২২৫ কিলোমিটাৰ।

গ্ৰীষ্মকালীন অলিম্পিক ২০২৪ ইউৰোপ মহাদেশৰ ফ্ৰান্সত অনুষ্ঠিত হৈছিল। পেৰিছ আছিল আয়োজক

চহৰ আৰু ইয়াৰ উপৰিও ফ্ৰান্সৰ আন ১৬ খন চহৰতো অলিম্পিকৰ খেল সমূহ আয়োজন কৰা হৈছিল। ইয়াৰ পূৰ্বেও ফ্ৰান্সত ১৯০০ চন আৰু ১৯২৪ চনৰ অলিম্পিক আয়োজন কৰা হৈছিল। পেৰিছ অলিম্পিকত প্ৰায় ১০ বিলিয়ন ইউৰো খৰচ হৈছে যিটো ভাৰতীয় হিচাপত প্ৰায় ৯২,০০০ কোটি টকা।

২০২৪ পেৰিছ অলিম্পিকত ২০৬ খন ৰাষ্ট্ৰীয় অলিম্পিক সমিতিৰ ভিতৰত ২০৪ খনে প্ৰতিনিধিত্ব কৰিছিল। ইয়াৰে ভিতৰত আছিল আফ্ৰিকাৰ ৫৪ খন, ইউৰোপৰ ৪৮ এছিয়াৰ ৪৪ খন, আমেৰিকা ৪১ খন আৰু ওচেনিয়াৰ ১৭ খন। অংশ নোলোৱা সমিতিৰ ভিতৰত আছিল ৰাছিয়া আৰু বেলাৰুছ।

অলিম্পিক অধিকাংশ ইভেণ্ট পেৰিছ চহৰ আৰু ইয়াৰ মহানগৰ অঞ্চলত অনুষ্ঠিত হৈছিল। য'ত ডুবুৰীয়া চহৰ চেণ্ট ডেনিছ, লে বোৰ্গেট, নাণ্টেৰে, ভাৰ্চেইলছ আৰু ভাইৰেছ-চুৰ মাৰ্নে অন্তৰ্ভুক্ত আছিল। ইয়াৰ উপৰিও ২২৫ কি:মিটাৰ অৱস্থিত লিলেত অনুষ্ঠিত হৈছিল বাস্কেটবল আৰু হেণ্ডবল। পেৰিছৰ ৭৭৭ কি:মি দূৰত্বত থকা ভূমধ্যসাগৰীয় চহৰ মাৰ্চেইলত পালতোলা আৰু ফুটবল অনুষ্ঠিত হৈছিল। চাৰ্ফিং ইভেণ্ট অনুষ্ঠিত হৈছিল ফ্ৰান্সৰ পলি নেছিয়াৰ টাহিটি ত, যি পেৰিছৰ

পাৰা ১৩,৭১৬ কি: মি দূৰত্ব আছিল।

পেৰিছ অলিম্পিকৰ পদক সমূহৰ ডিজাইন কৰিছিল চাউমেট নামৰ এটা বিলাসী গহনা সেটে আৰু ফ্ৰান্সৰ মিণ্ট মনাই ডি পেৰিছে প্ৰস্তুত কৰিছিল। পদক সমূহ ব্যাস আছিল ৮৫ মি:মি আৰু ডাঠ আছিল ৯.২ মিলি মিটাৰ। এই পদক বোৰৰ ভিতৰত সোণৰ পদকৰ ওজন আছিল 529 গ্ৰাম ৰূপৰ ৫২৫ আৰু ব্ৰঞ্জৰ ৪৫৫ গ্ৰাম।

ষ্টেড দি ফ্ৰান্সত ১১ আগষ্ট নিশা বৰ্ণাঢ্য কাৰ্যসূচীৰে পেৰিছ অলিম্পিক, ২০২৪ ৰ অন্ত পৰে। ভাৰতে এইবাৰৰ অলিম্পিকত এটা ৰূপ আৰু ৫টা ব্ৰঞ্জ সহ মুঠ ৬টা পদক লাভ কৰে আৰু ৭১ সংখ্যক স্থানত থাকে। ইয়াৰ পূৰ্বে 2020 ৰ টকিঅ' অলিম্পিকত ভাৰত এটা সোণ, দুটা ৰূপ আৰু ৪টা ব্ৰঞ্জসহ মুঠ ৭টা পদকেৰে ৪৮ সংখ্যক স্থানত আছিল। পেৰিছ অলিম্পিক ১১ আগষ্ট শেষৰ দিনা নেডাৰলেণ্ডছৰ ছিফান হাছানে মহিলাৰ মাৰথনত সোণৰ পদক অৰ্জন কৰে। ৩১ বছৰীয়া এথলিট গৰাকীয়ে ইয়াৰ দুদিন পূৰ্বে ১০ হাজাৰ মিটাৰত আৰু চাৰিদিন পূৰ্বে ৫ হাজাৰ মিটাৰ দৌৰত ব্ৰঞ্জৰ পদক অৰ্জন কৰিছিল এইবাৰৰ অলিম্পিকত আমেৰিকা যুক্তৰাষ্ট্ৰই ৪০টা সোণৰ পদক সহ মুঠ ১২৬ টা পদকেৰে

প্ৰথম স্থানত থাকে। আনহাতে চীনে ৪০টা সোণৰ পদকসহ মুঠ ৯১টা পদক লৈ দ্বিতীয় স্থানত থকাৰ বিপৰীতে জাপানে ২০টা সোণসহ মুঠ ৪৫টা পদক লৈ তৃতীয় আৰু অষ্ট্ৰেলিয়াই ১৮টা সোণসহ মুঠ ৫৩টা পদক লৈ চতুৰ্থ স্থান দখল কৰিবলৈ সমৰ্থ হয়। উল্লেখযোগ্য যে ২০২৮ চনত গ্ৰীষ্ম অলিম্পিক লছ এঞ্জেলছত অনুষ্ঠিত হ'ব। ১৯৩২ আৰু ১৯৮৪ চনৰ পাছত লছ এঞ্জেলছে তৃতীয়বাৰৰ বাবে গ্ৰীষ্ম অলিম্পিক আয়োজন কৰিছে। লছ এঞ্জেলছত অনুষ্ঠিত হ'ব লগীয়া অলিম্পিকত নতুনকৈ ফ্লেগ ফুটবল, ক্ৰিকেট, লেক্ৰচ আৰু স্কোৱাচ সংযোজন কৰা হৈছে। পেৰিছ অলিম্পিকৰ সামৰণি অনুষ্ঠানত ভাষণ দি পেৰিছ অলিম্পিকৰ ২০২৪ ৰ সভাপতি টনি এষ্টাংগুৱেটে সকলো খেলুৱৈ তথা প্ৰায় ৪৫,০০০ স্বেচ্ছাসেৱক, আয়োজক আৰু সমিতিক ধন্যবাদ জ্ঞাপন কৰে। আনহাতে আন্তঃৰাষ্ট্ৰীয় অলিম্পিক কমিটীৰ সভাপতি থমাছ বাচে এই গেমছক সফল বুলি অভিহিত কৰি অলিম্পিক পতাকা লছ এঞ্জেলছৰ মেয়ৰ কেৰেন বেছৰ হাতত অৰ্পণ কৰে।

নাম — আৰ্চী বেগম।
পঞ্চম যাণ্মাসিক।

# ছাত্ৰ-ছাত্ৰীৰ মানসিক বিকাশত অধ্যয়নৰ ভূমিকা

কংকনা ডুৱৰা
তৃতীয় ষাণ্মাসিক

আমোলে নেদেখা বস্তু এটা দেখি যিদৰে জ্ঞান আহৰণ কৰিব পাৰি ঠিক তেনেদৰে পুথি অধ্যয়নৰ পৰাও ছাত্ৰ-ছাত্ৰীয়ে সম্যক জ্ঞান লাভ কৰিব পাৰে। কিন্তু এজন ছাত্ৰই পুথি অধ্যয়নতকৈ অংকিত নক্সাৰ পৰাহে অধিক জ্ঞান পাব পাৰে। যদি কোনো এখন কিতাপ ৰঙচঙীয়া হয় সেই কিতাপখন পঢ়িবলৈ ছাত্ৰ-ছাত্ৰীসকল বেছি আগ্ৰহী হয়। মোৰ বোধেৰে পুথিগত শিক্ষাই প্ৰকৃত আৰু শেষ শিক্ষা নহয়। প্ৰকৃতিৰ অপৰূপ সৃষ্টিৰ অধ্যয়নেও মোৰ দৰে ছাত্ৰীৰ মানসিক বিকাশত অৰিহণা যোগাব পাৰে। এখন ভাল কিতাপ অধ্যয়নে আৰু ওচৰ-চুবুৰীয়াৰ পৰা, লগৰ বন্ধু-বান্ধৱীৰ পৰা লোৱা অধ্যয়নেও ছাত্ৰ-ছাত্ৰীৰ মানসিক স্থিৰতা, শিষ্টাচাৰ, নম্ৰতা আদি গুণবোৰ বিকশিত হোৱাত সহায়ক হ'ব। সংগীত, শিক্ষামূলক, শিল্প, সৃজনীমূলক, খেলধূলি, স্থাপত্য-ভাস্কৰ্য, শিক্ষামূলক ভ্ৰমণ আদি শিশুৰ মানসিক বিকাশৰ অংগস্বৰূপ। কাৰণ এনেবোৰৰ অধ্যয়নৰ যোগে শিশুৰ মানসিক বিকাশ ত্বৰান্বিত হয়।

বৰ্তমান প্ৰযুক্তিবিদ্যাৰ যুগত শিশুৱে লৰালি কালৰে পৰা সকলো বিষয়কে পুংখানুপুংখভাৱে অধ্যয়ন নকৰিলে ব্যৱহাৰিক জীৱনত কষ্ট অনুভৱ কৰিব লগাত পৰে। সেয়েহে মই ভাবো এই ক্ষেত্ৰত শিক্ষক, অভিভাৱকসকলে যিকোনো প্ৰকাৰে ছাত্ৰ-ছাত্ৰীৰ মনত অধ্যয়নৰ স্পৃহা জগাই তুলিবলৈ চেষ্টা কৰা উচিত।

ছাত্ৰ-ছাত্ৰীৰ মানসিক বিকাশৰ অন্য এক উল্লেখনীয় দিশ হ'ল শিশু আলোচনী অধ্যয়ন। এই শিশু আলোচনীয়ে এজন ছাত্ৰ-ছাত্ৰীৰ মানসিক, বৌদ্ধিক তথা সু-চৰিত্ৰ গঢ়ি মানসিক বিকাশত সহায়ক হয়। ইয়াৰ উদাহৰণস্বৰূপে মৌচাক, অকণি, সাদিন, নতুন আবিষ্কাৰ, ৰংমেলা, প্ৰান্তিক, গৰিয়সী আদি। এখনি গ্ৰন্থ এজন ছাত্ৰ-ছাত্ৰীৰ নিঃসঙ্গতাৰ সংগযুক্তৰূপ। যদি এজন ছাত্ৰই নানা দেশৰ সাধু পঢ়ে, তেন্তে তেওঁ নানান দেশৰ ভাষাৰ প্ৰতি আগ্ৰহী হ'ব আৰু সামাজিক ৰীতি-নীতি, ভাবেগিক বিকাশ, সৃজনীমূলক শক্তিৰ বিকাশ আৰু সৌন্দৰ্যবোধত সেই অধ্যয়নে অৰিহণা যোগাব। দেশৰ মহান পুৰুষ সকলৰ জীৱনী অধ্যয়ন কৰা আৰু তেওঁলোকৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ আমাৰ উজ্জ্বল ভৱিষ্যত ৰচনা কৰাটো একান্ত প্ৰয়োজনীয়।

বিভিন্ন ধৰ্ম গ্ৰন্থসমূহৰ অধ্যয়নে ছাত্ৰ-ছাত্ৰীৰ মানসিক বিকাশত অৰিহণা যোগাব পাৰে। ধৰ্ম গ্ৰন্থ অধ্যয়নৰ যোগে এজন ছাত্ৰ সং, বিনয়ী, ধাৰ্মিক আৰু আস্তিক দিশত আগবঢ়াৰ লগতে বিভিন্ন ধৰ্মৰ প্ৰতি শ্ৰদ্ধা, ভক্তি ভাৱ জাগৰণত সহায়ক হৈ পাৰে। এজন সচেতন নাগৰিক হিচাপে দেশ-বিদেশৰ খবৰ জানিবলৈ, নিজৰ জ্ঞানৰ বিকাশ আৰু চৰিত্ৰৰ দক্ষতা বৃদ্ধিৰ বাবে বাতৰি কাকতখনো ছাত্ৰ-ছাত্ৰীসকলে নিয়মিত পঢ়িব লাগে।

# বাংলাদেশৰ সংকট

কিয়ৰ বাবে বাংলাদেশৰ প্ৰধানমন্ত্ৰীগৰাকীক বহিষ্কাৰ কৰা হ'ল আৰু আগন্তুক প্ৰত্যাহ্বান সমূহ বাংলাদেশৰ প্ৰতিবাদত বুজাই দিয়া হ'ল -

বাংলাদেশৰ জনসাধাৰণৰ যুদ্ধাংদেহী অৱস্থাত দেখি প্ৰধানমন্ত্ৰী শেখ হাছিনাই 2024 চনৰ ৫ আগষ্টত দেশ এৰি পলায়ন কৰিছিল। আৰু কেইবা সপ্তাহ ধৰি চলি থকা প্ৰতিবাদৰ ফলত কেইবাজনো লোকৰ মৃত্যু হৈছে। প্ৰধানমন্ত্ৰী গৰাকীৰ বিদায়ৰ পাছত এটা মুহূৰ্তত দক্ষিণ এছিয়াৰ এই বাংলাদেশ নামৰ দেশ খনত বহু ধৰণৰ সমস্যা সৃষ্টি হৈছে। লগতে ৰাষ্ট্ৰখনৰ ক্ষমতাৰ শূন্যতাৰো সন্মুখীন হব লগা হৈছে। এই সংকটৰ কাৰণ কি আৰু ইয়াৰ পাছত কি হব পাৰে সেই কথা ভাল দৰে বুজিবলৈ "The American university School of International Service" ৰ পৰা এজন লোকে বাৰ্তালাপৰ হকে বাংলাদেশী ৰাজনীতিৰ বিশেষজ্ঞ জাজৰীনা আজাদৰ ওচৰলৈ গৈছিল।

কিহৰ বাবে বাংলাদেশত বিক্ষোভৰ সূচনা হ'ল -

বাংলাদেশৰ ৫৬% চৰকাৰী পদ বিভিন্ন গোটৰ বাবে সংৰক্ষিত হৈ থকা কোটা ব্যৱস্থাক লৈ দীৰ্ঘদিনীয়া ক্ষোভৰ পৰাই এই প্ৰতিবাদৰ সৃষ্টি হৈছে। যত ১৯৭১ চনৰ স্বাধীনতা যুদ্ধত যুঁজ

দিয়া স্বাধীনতা সংগ্ৰামীৰ বংশধৰসকলৰ বাবে
৩০% পদ সংৰক্ষিত আছিল। এই কোটা ব্যৱস্থাই
দেশৰ বৃহৎ যুৱ জনসংখ্যাৰ বাবে অতি লোভনীয়
অসামৰিক সেৱাৰ পদৰ ক্ষেত্ৰত এক বৃহৎ বাধা
হিচাপে প্ৰমাণিত হৈছে। যাৰ বহুতেই নিৰনুৰা এই
কোটাৰ চাকৰিবোৰৰ কিমানটা শাসকীয় আৱামী
লীগ দলৰ সমৰ্থকৰ হাতলৈ গৈছিল তাৰ বাবেও
ই বিতৰ্কৰ বিষয় হৈ পৰিছিল। এই বিষয়টোক
লৈ পূৰ্বৰ ছাত্ৰ সংগঠনৰ অপৰিসীমা হেঁচাত
হাচিনাই ২০১৮ চনত সমগ্ৰ কোটা ব্যৱস্থাটো বিলুপ্ত
কৰে। কিন্তু ২০২৪ চনৰ জুন মাহত দেশৰ উচ্চ
ন্যায়ালয়ে সেই পদক্ষেপ অবৈধ বুলি ৰায় দিয়ে।
যাৰ ফলত সমগ্ৰ দেশত বাধাৰ সৃষ্টি হবলৈ ধৰে।
তাৰ পাছত জুলাই মাহত বাংলাদেশৰ ৰাজহুৱা
বিশ্ববিদ্যালয় সমূহত নতুন পেঞ্চন সংস্কাৰক লৈ
অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীৰ ধাৰাবাহিকভাৱে সমস্যা
হোৱা দেখা গ'ল। যিটো কাৰ্যকৰী হলে দৰমহা
কৰ্তনৰ প্ৰয়োজন হব। প্ৰথম অৱস্থাত এই প্ৰতিবাদ
শান্তিপূৰ্ণ আছিল যদিও প্ৰধানমন্ত্ৰী শেখ হাচিনাই
দিয়া এটা জ্বলন্ত ভাষাত যত তেওঁ ছাত্ৰ-ছাত্ৰীসকলক
"ৰাজাবাৰ" বুলি পৰামৰ্শ দিছিল। যিটো শব্দ
বাংলাদেশৰ স্বাধীনতা যুদ্ধৰ সময়ত পাকিস্তান
সমৰ্থক সহযোগীসকলক চিনাকী কৰিবলৈ ব্যৱহাৰ
কৰা হৈছিল। এই কথাখিনিয়ে ছাত্ৰ-ছাত্ৰীৰ মাজত
উত্তেজনা জগাই তুলিছিল। বাংলাদেশৰ ছাত্ৰ লীগ
আৱামী লীগৰ সশস্ত্ৰ শাখাই ছাত্ৰ-ছাত্ৰীক আৰক্ষী
সহযোগত গুলীৰে আক্ৰমণ কৰিবলৈ আৰম্ভ কৰে।
ন্যায় বহিৰ্ভূত হত্যা, নিৰ্যাতন আৰু বলপূৰ্বক

নিৰুদ্দেশৰ ইতিহাস থকা বিতৰ্কিত অৰ্ধসামৰিক গোট ৰেপিড একচন বেটেলিয়নৰোগ মোতায়েন কৰা হৈছিল। প্ৰথম হত্যা কৰা আবু ছাইদ নামৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰ এজনৰ ভিডিঅ অনলাইন প্ৰচাৰ হোৱাৰ পাছত আৰু অধিক লোকে যোগদান কৰে। এই প্ৰতিবাদৰ ফলত আৰক্ষী আৰু সশস্ত্ৰ সংগঠনে অধিক হিংসাত্মক দমন চলায়। অনুমান কৰা হৈছে যে এই প্ৰতিবাদত প্ৰায় ২৬৬ জন লোকৰ মৃত্যু হৈছে, যাত বেছিভাগেই ছাত্ৰ-ছাত্ৰী আছিল। চৰকাৰে বিদ্যালয় তথা বিশ্ববিদ্যালয়ৰ বন্ধ কৰি সান্ধ্য আইন জাৰি কৰাৰ লগতে ইন্টাৰনেট আৰু টেলিকমিউনিকেচন কৰ্তন কৰে। ইফালে ছাত্ৰ-নেতা সকলক গ্ৰেপ্তাৰ কৰি দাবীৰ তালিকা প্ৰত্যাহাৰ কৰিবলৈ বাধ্য কৰা হয়। কিন্তু ইয়াৰ ফলত কেৱল সম্পূৰ্ণ অসহযোগ আন্দোলন ঘোষণা আৰু হাছিনাৰ শীঘ্ৰে পদত্যাগৰ দাবীত প্ৰতিবাদকাৰীৰ ব্যাপক বিদ্ৰোহৰ সৃষ্টি হয়। সান্ধ্য আইন অৱমাননা কৰি হাজাৰ হাজাৰ প্ৰতিবাদকাৰীয়ে ঢাকালৈ দীঘলীয়া পদযাত্ৰা কৰি সমবেত হোৱাৰ সময়ে প্ৰধানমন্ত্ৰীয়ে পদত্যাগ কৰি দেশ এৰি গুচি যায়।

• ৰাজনৈতিক অশান্তিৰ বহল প্ৰসংগ আছেনে?

নিৰ্যাত কোটা প্ৰতিবাদৰ ওপৰত মনোযোগ কেন্দ্ৰীভূত হৈছে যদিও এটা লিটানি চৰকাৰৰ বিৰুদ্ধে অভিযোগৰ সুপথাত পাৰিছিল।

হাছিনাৰ শাসনকালত বাংলাদেশ GDP (Gross Domestic Product) বৃদ্ধি হোৱা দেখিছে। কিন্তু ইয়াৰ ফলত বহু বাংলাদেশীৰ অৰ্থনৈতিক মংগল হোৱা নাই।

সুযোগৰ অভাৱ, যুৱক যুৱতী মাজত নিবনুৱা সমস্যা আৰু আকাশলংঘী মুদ্ৰাস্ফীতিৰ ফলত উত্তেজনাৰ সৃষ্টি হৈছে।

• হাচিনাৰ প্ৰস্থান লগে লগে বাংলাদেশৰ ৰাজনৈতিক সংকটৰ অন্ত পৰিল নেকি ?

হাচিনাৰ পদত্যাগে সংকেত দিছে আপাতত : হলেও বাংলাদেশত আৱামী লীগৰ শাসনৰ অন্ত পৰাৰ বাংলাদেশকে ধৰি দক্ষিণ এছিয়াৰ দেশসমূহ বহুল্যাংশে ৰাজনৈতিক সংকটৰ দ্বাৰা পাৰ হৈ উঠিছে। গতিকে আৱামী লীগৰ প্ৰত্যাখ্যান আৰু বহুতে আন প্ৰতিষ্ঠিত ৰাজনৈতিক দল বাংলাদেশ জাতীয়বাদী পাৰ্টি জামাত ই ইছলামী আৰু জাতীয় পাৰ্টিকো নাকচ কৰি থকাটো অসাধাৰণ আবেগক লক্ষ্য কৰি আদৰ ভৱিষ্যতে আৱামী লীগে ফলপ্ৰসূভাৱে আগাচিত হব নোৱাৰিবও পাৰে যদিও বাকীসকলে প্ৰতিশ্ৰুতি দিয়া আগন্তুক নিৰ্বাচনত অংশ-গ্ৰহণৰ বাবে এক সংহত প্ৰচেষ্টা চলাব। এই মুহূৰ্তৰ বাবে বাংলাদেশৰ বাবে ৰাজনীতিত সতেজ কণ্ঠ আৰু মুখ থকাৰ সুযোগ থাকিব পাৰে আৰু সম্ভাৱনাময়-ভাৱে ছাত্ৰ আন্দোলনৰ পৰা ওলাই আহিব।


• ইয়াৰ পিছত কি হব পাৰে ?

বাংলাদেশত ভৱিষ্যতে কি হব সেয়া অনুমান কৰাটো এতিয়াও যোনকালে পৰিস্থিতি অত্যন্ত তৰল আৰু মিনিটৰ পিছত মিনিট উন্মোচিত হৈ আছে। হাচিনাৰ হঠাৎ বিদায়ে তেওঁৰ শাসনৰ অন্ত পেলোৱাত সহায় কৰা লাখ লাখ প্ৰতিবাদ-কাৰীৰ মাজত সকাহ আৰু উদযাপনৰ কাৰণ হৈ পৰিছে।

প্ৰতিবাদী নেতাসকলে সৰ্বাংগীন, দুনীতিমুক্ত, গনতান্ত্ৰিক চৰকাৰৰ বাবে স্পষ্ট দৃষ্টিভংগী প্ৰকাশ কৰিছে। তেওঁলোকে জড়িতা আৰু ইনপুট অবিহনে গঠন হোৱা অন্তৰ্বৰ্তীকালীন চৰকাৰ। ছাত্ৰ নেতাসকলে অন্তৰ্বৰ্তীকালীন চৰকাৰ চাব বিচৰা প্ৰাৰ্থীৰ তালিকা এখন যুগুত কৰিছে। নোবেল বঁটা বিজয়ী মহম্মদ ইউনুছে মুখ্য উপদেষ্টাৰ ভূমিকা গ্ৰহন কৰিছে ইয়াৰ লগে অন্তৰ্বৰ্তীকালীন চৰকাৰৰ পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিছে বাংলাদেশ জাতীয়তাবাদী পাৰ্টি আৰু জামাত ই- ইছলামীৰ নেতসকলে। কিন্তু ৰাজনৈতিক পৰিৱৰ্তন অত্যন্ত প্ৰত্যাহ্বানমূলক আৰু অস্থিৰ। দেশসমূহৰ লুন্ঠন, অগ্নিসংযোগ আৰু হিংসাত্মক ঘটনাৰ লগতে হিন্দু সম্প্ৰদায়ৰ ওপৰত আক্ৰমনৰ ঘটনাও সংঘটিত হৈছে। ইছলামিক জামাত ই-ই ইছলামী আৰু বাংলাদেশৰ ছাত্ৰ লীগৰ সশস্ত্ৰ শাখাক ই হিংসাত্মক পৰিস্থিতি বঢ়াখিনিৰ বাবে দোষাৰোপ কৰা হৈছে। যিটো হিংসাৰ অভিযোগ উত্থাপন হৈ যে প্ৰতিবাদী আন্দোলনক বৈধতাহীন কৰাৰ বাবে সংঘটিত কৰা হৈছে। ইয়াৰ প্ৰত্যুত্তৰত ছাত্ৰ ছাত্ৰীৰ আৰু সাধাৰন জনতাই সংখ্যালঘু উপাসনা স্থানসমূহ সুৰক্ষিত কৰাৰ বাবে যোজ দিছে। তাৰোপৰি উৰাবাতৰি আৰু ভুল তথ্য অভিযানে নিশ্চয়কৈ অস্থিৰ পৰিস্থিতি কিছু উল্লেখযোগ্য প্ৰভাৱ পেলাব। ইয়াৰ লগে ৰাজনৈতিক অস্থিৰতা আৰু সামৰিক শাসন আইনে দেশৰ অৰ্থনীতিত যি বিপুল ক্ষতি ক্ষতি কৰিছে সেয়াও গুৰুত্ব দিছে। বাংলাদেশত আঞ্চলিক ৰাজনীতি

আৰু বিশ্ব অৰ্থনীতিৰ প্ৰতি লক্ষ্য ৰাখি আমেৰিকা ইউৰোপীয় ইউনিয়ন চীনকে ধৰি আনু ৰাষ্ট্ৰীয়দাত আৰু বৈশ্বিকগত আত্মীয়াৰ সকলোও একেদৰেই ইয়াৰ পিছত কি হ'ব তাৰ বাবে অপেক্ষা কৰি আছে ।

নাম: পাৰি পগে
তৃতীয় ষান্মাসিক



# মিচিং সকলৰ কৃষিভিত্তিক উৎসৱ "পঃৰাগ" এক অধ্যয়ন

শ্ৰীমতী দিম্পী লাচন
স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিক

মিচিং জনগোষ্ঠী হৈছে বড়ো কছাৰীসকলৰ পিছতেই অসমৰ ভৈয়ামৰ জনজাতিসমূহৰ ভিতৰত দ্বিতীয় বৃহত্তম জনজাতি। ভৈয়ামত থকা মিচিংসকল মূলত চীনা তীব্বতীয় জনগোষ্ঠীৰ অন্তৰ্গত আৰু তেওঁলোক নৈৰ পাৰত চাং ঘৰ সাজি গাঁও পাতি বসবাস কৰে। অসমৰ ধেমাজি, তিনিচুকীয়া, যোৰহাট, ডিব্ৰুগড়, শিৱসাগৰ, গোলাঘাট, মাজুলী, দৰং জিলাত মিচিংসকলে প্ৰধানকৈ বাস কৰা পৰিলক্ষিত হয়। মিচিংসকল মূলতঃ স্বভাৱগত কৃষিজীৱি আৰু তেওঁলোকৰ সামাজিক, সাংস্কৃতিক জীৱন অসমৰ অন্যান্য জনগোষ্ঠীসমূহৰ দৰে বৰ্ণময় আৰু তেওঁলোকৰ বৈচিত্ৰ্যপূৰ্ণ। মিচিংসকলে সৃষ্টিকৰ্তা "চেদেংঃমে"ৰ দ্বাৰা সৃষ্টি "দঃঞি-পঃল" অৰ্থাৎ সূৰ্য চন্দ্ৰৰ পৰা সৃষ্টি হোৱা "তানি" (মানৱ) জনগোষ্ঠীৰ বংশধৰ বুলি নিজকে পৰিচয় দিয়ে।


মিচিংসকলৰ কৃষিভিত্তিক উৎসৱ আলি-আয়ে-লৃগাংৰ দৰে পঃৰাগ উৎসৱো কৃষিমূলক বসন্তকালিন উৎসৱ। এই উৎসৱ খেতি চপোৱাৰ পাছত পালন কৰা হয়। এই উৎসৱ মাঘ, ফাগুন মাহত পতা হয়। সেইদিনা দতাল গাহৰি, আপং আদি উৎসৰ্গা কৰি আই বসুমতী, অন্নদাতা, পৰম পুৰুষ বগচিং কৰ্তাং; দঃঞি পঃল, চেঃদুমেল আদি সৃষ্টিকৰ্তাসকলক

আৰাধনা কৰা হয়। এই উৎসৱৰ আবাৰণতে তিনিদিন পালন কৰা হয়। উৎসৱৰ পৰিচালনাৰ বাবে স্বস্তৰঘা:মেৰ (ডেকা গাভৰুৰ) ৰ কিছুমান পদবীৰ সৃষ্টি কৰে যিদৰে আহোম ৰজাৰ ৰাজ্যশাসনৰ সুবিধাৰ্থে বৰপাত্ৰগোহাঁই বৰফুকন আদি বিষয়াৰ প্ৰয়োজন একেদৰে পঃআগতো নিগম, বৰা, বৰপুৱাৰী, ডেকাবৰা, তিৰিবৰা আদি পদবী থাকে। ডেকা-গাভৰুৰ প্ৰচেষ্টাত এই উৎসৱ অনুষ্ঠিত হয়, যদিও গাঁৱৰ বুঢ়া-বুঢ়ী, ল'ৰা-ছোৱালীসকলো জড়িত হৈ থাকে।

অতীতত এই উৎসৱ মিবুয়েহে পৌৰোহিত্যই কৰিছিল। বৰ্তমান মিবুৰ স্থান লোহোৱা হ'ল। এই উৎসৱ অংশ-গ্ৰহণৰ বাবে দুই-চাৰিখন গাঁৱৰ আইজ তথা গাঁৱৰ মুখীয়ালসকলক নিমন্ত্ৰণ কৰে। তাক মিনম বুলি কয়। মিনম মুখৰ-য়াংসেক বিহুতলিলৈ আদিৰ মাৰ পিছুৱে সবাই আনন্দমুখৰ হৈ পৰে। গাঁৱৰ মুখিয়াল বা নিমন্ত্ৰণ ৰক্ষা কৰা অতিথিসকলক নিমন্ত্ৰণ আৰু সমাজৰ আশীৰ্বাদ লয়। গাঁৱত তিনিদিন ধৰি এক আনন্দ মুখৰ পৰিৱেশৰ সৃষ্টি হয়। এই উৎসৱ পাঁচ বছৰৰ মূৰে মূৰে পালন কৰে। উৎসৱ শেষৰ দিনা আমন্ত্ৰিত অতিথিক লোকে খুৱাই-বুৱাই উৎসৱৰ দিনা আদৰি অনাৰ দৰে আনন্দমুখে পুনৰ বিদায় দিয়া হয়।

মিচিং সকলে পৰম্পৰাগতভাৱে পালন কৰি অহা পঃৰাগ উৎসৱত আছে প্ৰেম-প্ৰীতি, স্বৰম-চেনেহ

কৰ্তব্য পৰায়ণতা দায়িত্ববোধ, সমাজবোধ আদি আদৰ্শ পৰম্পৰাগতভাৱে পালন কৰি অহা উৎসৱক জীয়াই ৰখাৰ অদম্য প্ৰেৰণা।



# গল্প

আপেক্ষিকভাৱে চমু বৰ্ণনা,
য'ত এটা চৰিত্ৰ আৰু এটা
মাথোন পৰিস্থিতি চিত্ৰণ কৰা
হয়, যি বাস্তৱ জীৱন আধাৰিত
সংক্ষিপ্ত পৰিসৰৰ কাহিনী
প্ৰকাশ পায়,
সেই অংশটোৱেই
— গল্প

# নাৰী এবং সমাজৰ নতুন সৃষ্টিৰ শিপাৰ

বৈদিক যুগৰ গাৰ্গী, আত্ৰেয়ী নে ৰামায়ণৰ সীতা, মহাভাৰতৰ দ্ৰৌপদী নে বৌদ্ধ যুগৰ অম্ৰপালী নে মন্দিৰৰ দেৱদাসী নে জন্মদাত্ৰী এগৰাকী মাতৃ নে সমাজে অশ্লীল দৃষ্টিৰে চোৱা এগৰাকী নিৰ্দোষী সাধাৰণ মহিলা ? নাৰী তুমি অনন্যা । শিৱসাগৰৰে এগৰাকী জীয়ৰী নিৰ্মল প্ৰভা বৰদলৈৰ দুশাৰী কবিতাৰেই আৰম্ভ কৰোঁ —

" সীতা বনবাস কিমান যাবানো
লোকাকাংক্ষা ৰাখিবা হব,
ভাৱনাৰ বাবে নাই কিয় লাগে
মনৰ কথাৰেই বনা হব । "

অতীতৰ পৰা চলি অহা নাৰীৰ ওপৰত অত্যাচাৰ, অন্যায়, অবিচাৰ আদিৰ বিষয়ে আমি দেখি বা শুনি আহিছোঁ । উদাহৰণ স্বৰূপে ডাইনী হত্যা, ভ্ৰূণ হত্যা, বাল্য বিবাহ, বিধবাৰ আজীৱন ব্ৰহ্মচৰ্য পালন, সতীদাহ যোৱা প্ৰথা । এনেবোৰ কু-সংস্কাৰৰ বলি কেৱল নাৰীসকলেই হ'বলগীয়া হয় কিয় ? নাৰীবাদ, নাৰী আন্দোলন, নাৰী দিৱস

আদিৰ উদ্দেশ্যই বা কি? পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাৰ গভীৰতালৈকে সোমাই থকা শিপাবোৰ উভালিব পৰা সক্ষম নাৰী সংগঠনৰ নাই। কেৱল ডাল পাতহে লৰাব পাৰিছে বহুক্ষেত্ৰত।

এগৰাকী মহিলাই বহু ক্ষেত্ৰত অনিচ্ছাকৃত ভাৱে পুৰুষতন্ত্ৰৰ বিষয়ে উপেক্ষা কৰিব লাগিব।

কেৱল আন লোকৰ সুখৰ বাবে, সমাজৰ বাবে, পৰিয়ালৰ সুখৰ বাবে সন্মানাৰ্থে বিবাহ পাছত আৰম্ভ হৈ গোটেই জীৱনটো নম্ৰ, বিনয়ী, সহজ সৰল হৈ থাকিলে যদি আদৰ্শবান নাৰী হয়, তেন্তে সেই একে নাৰীয়ে যদি যুক্তি সহকাৰে সমাজত নাৰীৰ সমান অধিকাৰ দাবী কৰে, অসামাজিক কৰ্মৰ বিৰোধিতা কৰিব বিচাৰে, যৌতুকৰ বিৰোধিতা কৰিব বিচাৰে তেন্তে নাৰী আদৰ্শবান নাৰী নহয় কিয়?

নিজৰ অভিজ্ঞতাৰ কালৰ পৰা মই কব খুজিছো যে আজিৰ সমাজতো বহু নাৰীয়ে পুৰুষৰ সম অধিকাৰ পোৱা নাই। বহুতো সভা - সমিতিয়ে নাৰী নিৰ্যাতন বা নাৰী বিষয়ক বহুতো ভাষণ দিয়া মই শুনিছো। আৰু সেই একে জনকে মই দেখিছো নিজৰ ঘৰত বন কৰা ছোৱালীজনী বা বোৱাৰী জনীৰ ওপৰত শোষণ চলোৱা, এয়া জানো অন্যায় নহয়। গতিকে এটা কথাই কব বিচাৰো প্ৰতিগৰাকী নাৰীয়ে


সকলোৱে আছে, যাৰ তুলনা নাই মৰমৰ, দয়াৰ, ক্ষমাৰ আৰু ধৈৰ্য্যৰ। সেয়ে সিহঁতে স্থান দি নহয়, বৰং কৰা ছোৱালীজনীক প্ৰকৃত নাৰীৰ দৃষ্টিৰে চাওক। তাতেই বুজি পাব যে, প্ৰকৃততে –

" নাৰী ধ্বংসৰ নহয় সৃষ্টিৰ শিখা।"

শ্ৰীমতী বন্দিতা দাস।
স্নাতক তৃতীয় ষাণ্মাসিক।

# বিহু উভতি নাহে এই বাটেৰে

— গীতাঞ্জলী বৰুৱা
পঞ্চম ষাণ্মাসিক



বিহুৰ বতৰ যদিও আজি ৰাঙলীপামে গাঁৱৰ মানুহৰ মাজত যেগনো ৰহঁ ৰহইচ নাই। কিন্তু এটা সময়ত এই গাঁও মনেই আছিল বতৰ ৰহঘৰা। ৰঙালী বুলি কলেই ৰঙালীপাম লগানি ৰাংচালী গাভৰু যেন হৈ পৰে। চৈত্ৰমহীয়া পাৰাই ৰাঙলীপামেত আজি বিহুদিনাও কাৰো মন নাচি উঠা নাই। বিহু বুলিলেই গা সাতখন-আঠখন কৰা এই গাঁৱৰ মানুহৰ মনবোৰ আজি সেমেকা।

একসময়ত এই গাঁৱৰ ভীমবৰ ঢুলীয়া বুলি ক'লেই সকলোৱে চিনি পোৱা ভীমবৰদদাইদেউ মনটোও আজি খুব সেমেকা। অথচ এটা সময়ত ঢোল ঢুবলৈ পালে তেওঁৰ গাত দেও লম্ফাদি লয়হে। কিন্তু সেইজন ভীমবৰ দদাইদেউৰে আজি যেন ৰঙালীৰ খবৰেই নাপালে।

দদাইদেউৱে পাদুলিত জাপ দি নঙলা জপাই উভতিবলৈ নতুনকৈ বাহ এমনে দদাইদেউৰ পাদুলিৰ খুলি উৰুৱাই পাৰ হৈ গুচি গ'ল। দদাইদেউৱে বাহমন নেদেখা হোৱালৈকে একেথৰে চাই ৰৈ থাকিলে। পাৰ হৈ যোৱা বাহমনৰ ভিতৰত লুকাই আছিল ডেকা-গাভৰুৰ কিৰিলি; ঢোল-পেঁপাৰ মাত। তাৰ পাছত দদাইদেউৱে দীঘল কৈ উশাহ এটা লৈ চকুহাল জোৰকৈ জপাই ৰাখিলে। তেওঁ সোমাই যাব বিচাৰিলে তেওঁৰ অতীতৰ স্মৃতিৰ দুৱাৰেদি।

দদাইদেউৰ পাদুলিৰ নঙলাখুলি সোমাই আহিছে গাৱঁৰ ডেকা জাকৰ বিহু —

ন'ঘৰ ঐ পুৰণি কামী
দদাইদেউৰ ঘৰলৈ হুঁচৰি গাবলৈ
অহে মিলি আহিছো আমি।

দদাইদেউ ডোভোলত অকলোৱে হৰিধ্বনি দি আৰম্ভ কৰিবলৈ ধৰিলে বিহু। দদাইদেউৰ চোতালত দীঘলীয়া উৰুলি, কিৰিলি আৰু সুহুৰিয়ে মুখৰিত হৈ পৰিল। বিহু নাচি উঠিল। হুঁচৰিৰ

আজও দদাইদেউৱে বিহুগীত জুৰিলে। দদাইদেউ যেন হুচৰিৰ মাজেৰে ডেকা ডেকা কালৰ যৌৱন পালেগৈ। গাঁৱৰ ডেকাহঁতে খুড়ীদেউকো এপাক নচুৱালে। মুঠতে আজৰাতি নৈকে দদাইদেউৰ চোতাল ৰজনজনাই থাকিল। সকলোৱে বিহু আমৰিলে। খুড়ীদেউৱে বছৰেকৰ বিহু বুলি চেলেং এখনি, ফুলাম গামোচা এখনিয়ে মান ধৰিলে। লগতে বলৰ জোখেৰে আৰিহনাও দিলে। হুচৰি যোৱা গুচি গ'ল। দদাইদেউৱে নঙলা জপাই দিলেহি।

দদাইদেউৱে জপাই বন্ধা চকুহাল মেলি দিলে; দদাইদেউৰ আৰত যেন এটা বিষাক্ত পোকে কামুৰিহে দিলে। তেওঁ অন্তৰ যেন বিষে ভৰি পাৰিল। দীঘলকৈ এটা হুমুনিয়া কাঢ়ি তেওঁ ভিতৰলৈ সোমাই গ'ল।

ডেকা-গাভৰুৰ কিৰিলি, ঢোল-পেপাৰ মাত ভাহি অহা সেই বাছমনতেই গাঁৱৰ বিহু গ'লগৈ। এতিয়া আৰু দদাইদেউ পাদুলিৰ নঙলা খুলি গাঁৱৰ ডেকাহঁতৰ হুচৰি সোমাই নাহে। আঁচৰে বিহুআৰু উভতি নাহে এই বাটেৰে। কিছুমান প্ৰশ্ন মনৰ মাজত থাকি যাব কিন্তু সেই প্ৰশ্নৰ উত্তৰ আৰু নাই।

# "নাৰীয়ে অবোৰ্চ"

টুম্পী গগৈ
প্ৰথম ষাণ্মাসিক

"জাপুগুৰিত এক ভয়ানক দুৰ্ঘটনা। দুজন দম্পত্তিৰ হঠাতে মৃত্যু হৈছে। চাৰিওফালে কেৱল মানুহ আৰু পুলিচ গোট খাই আছে।"

হঠাৎ T.V টো খুলি যেতিয়া NEWS টো পালে ৰূপহী (গাওঁবুঢ়াৰ ছোৱালী) দৌৰি গ'ল আইতাকৰ ঘৰলৈ। আইতাকৰ কোঁচত উমলি আছে কণমানি পৰীজনী। যাৰ বয়স ৩ বছৰ। ৰূপহীক দৌৰি অহা দেখি আইতাকে সুধিলে —

কি হ'ল অ' আইজনী, ইমান উধাতু খাই দৌৰি আহিছ যে॥ ক'ৰবাত জুই নুমাব যাওঁ বুলি ভাবিছ নেকি?

ৰূপহীয়ে ভিতৰে পৰা পানী এগিলাচ খাই অলপ সময় বৈ আইতাকক কান্দি কান্দি ক'লে —

অ' আইতা আপুনি TV টো খুলি চাওক চোন, তেতিয়া সকলো গম পাব॥

আইতাকে TV টো খুলি NEWS টো পাই ভলত বহি পৰিল আৰু কণমানিজনিক ৰূপহীক ল'ব দিলে। আইতাকে

যেন কি কৰিব এনেকৈ ভাবি পোৱা নাছিল কাৰণ এই বুঢ়া দেহত কণমানিজনীক তেওঁ মাক-দেউতাকৰ অবিহনে কেনেকৈ ডাঙৰ কৰিব।

চাওঁতে চাওঁতে দিন গ'ল, বছৰ গ'ল আৰু কণমানিজনী লাহে লাহে ডাঙৰ হ'ব ধৰিলে। কণমানিজনী এতিয়া গাভৰু হ'ল আৰু তাই এইবাৰ হাইচেকেণ্ডেৰী উত্তীৰ্ণ হৈছে। কিন্তু নিয়তিৰ লীলা তাই আকৌ অকলশৰীয়া হৈ পৰিল। তাই হাইচেকেণ্ডেৰী ৰিজাল্ট দিয়া পিছদিনাখনে আইতাকৰ "HEART ATTACK" হৈ মৃত্যু হৈছিল।

অহ' জোৱালীজনী নাম ক'ব পাহৰিছিলোৱে। তাইৰ নাম জোনাকী বৰদলৈ। তাই মাক-দেউতাক সমাজ-কৰ্মী আছিল। সমাজৰ বাবে, ৰাইজৰ বাবে সকলো ত্যাগ কৰিছিল তেওঁলোকে। তাইৰ মাকে মহিলাসকলৰ সুৰক্ষা বাবে কাম কৰিছিল আৰু দেউতাকে সমাজৰ বাবে। আনৰ বাবে যুজ দিয়া এইসকল লোকক যে বিপদৰ সময়ত কোনেও সহায়ৰ হাত আগবঢ়াব নাহিব তেওঁলোকে কল্পনাও কৰা নাছিল। যিসকলে নিজৰ ঘৰধনৰ কথা নাভাবি ৰাইজৰ বাবে নিঃস্বাৰ্থভাৱে কাম কৰে সেইসকলক কিন্তু বিপদৰ সময়ত সহায় কৰিব কোনো ওলাই নাহে। তেওঁলোকে হয়তু

ভাবিছিলে দেউতাকৰ মৃত্যুৰ পিছত কণমানি জোনাকীজনীক আৰু বুঢ়ী মাকক বাইজে চাব আৰু সহায় কৰিব কিন্তু তেনেকুৱা নহ'ল।

মাক-দেউতাকৰ মৃত্যু হোৱাৰ পিছত আইতাকৰো মৃত্যু হৈছিল। আইতাকৰ মৃত্যুৰ পিছত যেন জোনাকী একদম ভাঙি পৰিল।

"কেনেকৈ তাই জীৱনত আগবাঢ়িব," "তাইটো পঢ়াও বাদ দিলে," "কোনে এতিয়া তাইক চাকৰি দিব"— এইবোৰ ভাবি তাই পাগল হৈ পৰিছিল। শেষত তাই ভাবিলে মই হতাশ হ'লে নহ'ব। মই নিজে নিজৰ সাহস হ'ব লাগিব। সঁচাকৈ কয় নহয় মানুহে জীৱনত অসংখ্য মানুহ লগ পাব কিন্তু বিপদৰ সময়ত সাহস দিবলৈ কোনো নাহে, সেয়েহে আমি নিজে নিজৰ সাহস হ'ব লাগে। এই কথাটো জোনাকী শ্ৰেষ্ঠ হৈছিল। তাই সৰুৰ পৰাই লিখনিৰ প্ৰতি আগ্ৰহ আছিল। তাই মানুহৰ পৰা শুনিব পাইছিল যে তাই মাকে নাৰীসকলৰ ওপৰত এখন কিতাপ লিখিব বিচাৰিছিল। কিন্তু নিয়তিৰ লীলা তাই মাকৰ কিতাপ লিখাৰ আগতে দেহাৱসান ঘটিছিল।

সেইবাবে তাই চিঞাং কৰিলে তাই মাকে কৰিব নোৱাৰা কাম তাই কৰিব। তাইহঁত মাকৰ দৰে মহিলা সকলৰ বাবে কাম কৰিছিল।

জোনাকী মতে এই পৃথিৱীত "নাৰীয়ে সৰ্বোচ্চ"। কাৰণ এগৰাকী নাৰীয়ে সকলো ত্যাগ কৰে যিটো এজন পুৰুষে কৰিব নোৱাৰে। আঁচাই কম বয়সতে যে তাই ইমান খিনি বুজন হৈ নাৰীসকলৰ বাবে চলাই আহিছে সেইটো যথেষ্ট আমাৰ বাবে। তাইৰ মতে এগৰাকী নাৰীয়ে নিজৰ সৰ্বোচ্চ এৰি বেলেগ ঘৰলৈ যায়, নিজৰ আত্মবোধ এৰি স্বামী ঘৰখন সজাই, এগৰাকী নাৰীয়ে নিজৰ শৰীৰটো সন্তানৰ বাবে দিব লগা হয়, সন্তান জন্মৰ পিছত এগৰাকী নাৰীয়ে কিন্তু আগৰ শৰীৰটো ঘূৰাই নাপাই। আঁচাকে এই পৃথিৱীত নাৰী নহ'লে একোৱে সম্ভৱ নহয়। কিন্তু এচাম মানুহে নাৰী ওপৰতহে আঙুলি তুলে। নাৰীসকলক ধৰ্ষণ কৰিবলৈ ভয় নকৰে, কিন্তু তেওঁলোকে নাজানে সেই নাৰীসকলৰ পৰাই তেওঁলোকে যে এই ধুনীয়া পৃথিৱীখন দেখা পাইছে। কিছুমান অশিক্ষিত সমাজত নাৰীক ডাইনী সজাই হত্যা কৰা হয়। কিন্তু এইসকল লোকক বুজাব গ'লে আজি সমাজত আমি মানুহবোৰ বেয়া হওঁ। আমাৰ

সমাজৰ পৰা এইবোৰ ভুল ধাৰণা আঁতৰাবলৈ আমি মানুহবোৰে চেষ্টা কৰি থাকিব লাগিব, এই ভুল ধাৰণাবোৰ আঁতৰাবলৈ সজাগতা সৃষ্টি কৰিব লাগিব।

জোনাকীয়ে মাককে আধৰুৱা ইচ্ছা পূৰ কৰি নাৰীসকলৰ স্বাধীনতাৰ বাবে "নাৰীয়ে সৰ্বোচ্চ" কিতাপখন লিখিছিল। এই কিতাপখন সকলো ঠাইৰ মানুহে আদৰি লৈছিল আৰু নাৰী সকল অনুপ্ৰাণিত হৈছিল। নাৰীসকলে এই কিতাপখন পঢ়ি সমাজত স্বাধীনভাৱে কাম কৰিব ল'লে আৰু বৰ্তমান সময়ত পুৰুষতকৈ মহিলাসকল বহু ক্ষেত্ৰত স্বাৱলম্বী হৈছে। যেনেকৈ বৰ্তমান সময়ত মানুহে কয় –

" নাৰী এপাহি ফুলৰ দৰে
যাক ছুলে মৰহি যায়,
কিন্তু এই ফুল পাহত যদি কোনোবাই
অস্তিত্বত আঘাত দিয়ে, তেতিয়া এই ফুল পাহে
দুৰ্গা বা কালিমাৰ ৰূপ ল'ব পাৰে "॥

" নাৰী কেতিয়াও খেলনা হ'ব নোৱাৰে,
ভগৱান সৃষ্ট নাৰী একেকুৱা এটা শক্তি,
যি সৃষ্টি কোলাত ঢালি পাৰে নতুন জীৱন
জন্ম দিবলৈ" ॥

# কবিতা



মানুহৰ ভাৱ অনুভূতিৰ ছন্দোবদ্ধ প্ৰকাশেই সহজে অৰ্থত কবিতা। কবিতা লিখাৰ প্ৰয়াস কেৱল কবিৰেই নাথাকে। কেতিয়াবা দুখত, কেতিয়াবা সুখত কাহানিও কবিতা নিলিখা মানুহ এজন হৈ পৰিব পাৰে কবি। কবিতাত থাকে ভাৱ, অনুভূতিৰ স্পন্দন। সেয়েহে কবিতা পৃথিৱীৰ শক্তিশালী ভাষা।

# সজ ছাত্ৰ

— তৃষ্ণা গগৈ
প্ৰথম ষান্মাসিক

পিতা-মাতা গুৰুজনক
শ্ৰদ্ধা ভক্তি কৰে
সকলোতে স্নেহ শ্ৰদ্ধা
যাচিব যি জানে
ঈৰ্ষা এৰাই কাটি কৰি
কৰ্তব্য কৰিলে,
সজ ছাত্ৰ আখ্যা দিয়ে
পণ্ডিত সমাজে।
আনৰ পৰা তুমি
যেনে আদৰ বিচাৰা;
আনকো তেনেদৰে
আদৰ কৰিবা।
নাওঁৰো নোৱাকোঁ ভুলি
গৰ্ব নকৰিবা
কামৰ বেলিকা কাম
ততালিকে কৰা
পৰনিন্দা পৰচৰ্চা
কাটি কৰিবা,
আত্ম সংশোধন কৰি
সহনশীল হবা।
আত্মাক নিৰ্বিয়াই-
মন দৃঢ় কৰা,
জীৱনৰ সাৰ্থকতা
সহজতে পাবা।



# মৰ্মান্তিক




বিচাৰিছিলো একাজলি মৰমেৰে
জীয়াই থকা প্ৰেৰণা,
বিনিময়ত পালো মাথো,
এবুকু অমেকা বেদনা
তথাপিও, কিয় জানো
আশা ভৰা নিষ্পাপ হৃদয়, নহয় ক্লান্ত।
হতাশাই মোৰ মাথো প্ৰেৰণাৰ উৎস।
বহু আশাৰে খেলিছিলো জীৱন
পোৱা নোপোৱাৰে,
মায়া মৰীচিকাত হাবাথুৰি খাই ফুৰিছিলো।
ব্যৰ্থতাই মাথো মোক শিকালে
আগবাঢ়ি যাবলৈ
এতিয়া মাথো বিচাৰি আছো আগবঢ়াৰ বাট।

মিচ্ আৰ্চী বেগম
পঞ্চম ষান্মাসিক

# সুৰক্ষা

শ্ৰীমতী ৰেৱী গগৈ
পঞ্চম ষাণ্মাসিক

চাৰিওফালে এতিয়া বাজি উঠিছে
"এই জুই জ্বলিছে জ্বলিব"
কিন্তু কিমান দিন বাজিব এই ধ্বনি?
পাৰিব নে অলনি কৰিব এই দুৰ্নীতি - কুনীতি?
আচৰিত এই মানুহৰ মানৱীয়তা
নাই কোনো আত্মীয়তা;
এফালে বগা কাপোৰ তেজেৰে ৰাঙলী হ'ল,
কোনোফালে ধুনুকা ল'ৰালি
দানৱৰ হাতত মৰহি গ'ল;
কোনো পিতৃয়ে কৰিলে কন্যাৰ ধৰ্ষণ,
কোনো ভাইয়ে কৰিলে শেষ ভনীৰ জীৱন,
কত লোকক দিলে তেওঁ জীৱন দান
দানৱে কাঢ়িলে তেওঁৰে প্ৰাণ;




স্বাধীন দেশৰ নাগৰিক হৈ পাৰিলোঁনে ৰাখিব নিজৰ প্ৰাণ?
পৰাধীনতাই আজিও কাঢ়ি নিলে বহুতৰে মান!
আকৌ এবাৰ প্ৰমাণিত হ'ল
নহয় কোনো কন্যা নিজ
জননীৰ হাততেই সুৰক্ষা
আকৌ এবাৰ মানৱৰ জীৱন দানৱৰ হাতত
আকৌ এবাৰ মানৱৰ জীৱন দানৱৰ হাতত!

# প্ৰণাম

মিচ্ ৰাকিনা বেগম
প্ৰথম ষাণ্মাসিক

পুৰণিক বিদায় বেলাত মই
তোমাক কৰিছোঁ প্ৰণাম
প্ৰাণে প্ৰাণে আঁকি দিয়াছি
মোৰ সুখৰ সোণালী ছবি
এই সুন্দৰ শান্তি-সম্প্ৰীতিৰ
আশাৰহে অনাবিল;
টোপা টোপা নিয়ৰৰ দৰে কি যে
মোৰ কোমল বেথা
এমুঠি আশা বুকুত বান্ধি আঁহিছো
জয়তু শিৱসাগৰ ছোৱালী কলেজ।




# শেৱালী

নাবাব চাহিন চুলতানা
পঞ্চম ষাণ্মাসিক

সদ্যস্নাত শেউজ ধৰাত
কুঁৱলীৰ বগা জাল ফালি
উপেক্ষা কৰা তুমি
প্ৰভাতীৰ চুম্বন ।

অঘাল নিশা
সুবাস চিলোৱা
শাৰদী ৰাণী তুমি
নিশাতী কন্যা ।



শুভ্ৰতাৰ আগত
তুমি বিৰহিনী
গলি গলি সৰা
পূৰ্ণ চন্দ্ৰমাৰ
তুমিয়েই আজন্ম প্ৰেয়সী ॥

# শিৱসাগৰ ছোৱালী কলেজ

শ্ৰীমতী পাপৰি শইকীয়া
তৃতীয় ষান্মাসিক


কৈশোৰ-যৌৱনীয়া সপোনৰ জীৱনাত যি আছিল তাই
পাই হেৰুওৱা যন্ত্ৰণা হ'ব দিব নোৱাৰিলোঁ
কুটি-মটি গোমাই গ'লো তোৰ বুকুলৈ
বিশ্বাস আৰু সংশয়ৰ দোমোজাত।

জন্ম নাছিল মোৰ আগৰত
তথাপিও নাদৰ ফেঁকুৰী হ'বলৈ নোৱাৰো
প্ৰসাৰিত দুহাতেৰে কল্পনাৰ চেষ্টা কৰো
তোৰ স্মৃতিআগৰীয়া বিশালতা।

দুলক সুগন্ধিৰে সুবাস বিয়াৰি
তোৰ চোতালত জাক-জাক আলোকসন্ধানী
উজনি-নামনি পাহাৰ ভৈয়াম সকলোৰী
ভিন্ন সুৰী বৈচিত্ৰ্য মেওতি গা দিয়ে একতা এনাজৰী।

শ্ৰেণীকোঠাত সকলো গুৰু গৰীষ-বাধ্য ছাত্ৰ
লাইব্ৰেৰী কিয় হয় অনুশীলন নিবাহ দুপৰীয়াবোৰত
শিৱসাগৰ ছোৱালী কলেজ খোদিত হয় সিহঁতৰ বুকুত।


অহা আছে মোৰা যাম
অচিনাকী মুখবোৰ দুদিনৰ বাবে চিনাকী হয়
পুনৰ হেৰায় যায় পৃথিৱীৰ জন অৰণ্যত
কিন্তু তোক পাহৰিব নোৱাৰি।
হিয়াভৰি লৈ যায় স্মৃতিৰ টোপোলা
কিন্তু তোৰ বুকু কেতিয়াও উদং নহয়
লুইতপৰীয়া চিৰযৌৱনা শিৱসাগৰ ছোৱালী কলেজ তই।।




# মোৰ মৰমৰ মা

শ্ৰীমতী পপী গগৈ
পঞ্চম ষাণ্মাসিক

জনম দিলা তুমি মোক মা
তোমাক পাহৰিম কেনেকৈ?
তোমাৰ বাবে আহিলো মা
এই দুনীয়া ধৰালৈ।
শান্ত আৰু মৰমীয়াল সেই মুখখনি তোমাৰ;
যেতিয়া তোমালৈ চাওঁ,
পৃথিৱীত থকা সকলো মৰমেই যেন পাওঁ।
কিন্তু মা, গুচি গ'লা তুমি মোক এৰি, এক অজান দেশলৈ।
মাতিলেও নাপাওঁ মাত, বিচাৰিলেও নাপাওঁ তোমাক,
মাথো যে গ'লা তুমি মোৰ আঘৰ স্থানত।
বুকুত বহুত বেদনা লৈ আছো যে জীয়াই,
তোমাৰ স্মৃতিয়ে মোক বহুত কন্দুৱাই।
অ, মা নোৱাৰিছো থাকিব মই তোমাৰ অবিহনে,
দিয়ানা এবাৰি মাত অতি মৰমেৰে।
শতকোটি প্ৰণাম কৰি ভগৱানক কওঁ
জনমে জনমে তোমাকে যেন মাতৃৰূপে পাওঁ।
মা...... মাতৃ ৰূপে পাওঁ ॥




অনুগল্প

# সমাজে কি ক'ব?

চৰকাৰী চাকৰিলৈ যোৱা ছোৱালীৰ কমলোৰ গোটেই বিয়া, দেউতাকে, মাতৃ-পিতৃয়ে কৰে, সেইবা ৰক্তাৰ হৈ জীয়েৰা, সমাজে কি ক'ব? উদ্দেশ্য মানুহৰ আগত জ্ঞানী পৈণ্ডিতে কোনো কথাষাৰ জিজ্ঞাসাৰ কাৰণত আছি পৰিলে যদিও তাই নুশুনা ভাৱে ধৰি ভিতৰত চিন্তন কৰি থাকিলে, তাই জানে দুখীয়াই উত্তৰ দিব নাপায়, আকৌ সদায় কয়।

মানুহাই লোকেকে উত্তৰ চাহকাপ যাচি উত্তৰ দিলে - "হয় দিয়াক পেটী গোটেই দিনটো ভালে কাইটো অলপ চিন্তন কৰি ঔষধোৰ পিন্ধিলে শোভা নাপায়। সমাজে কি ক'ব।



— জেছমিন বেগম
তৃতীয় ষাণ্মাসিক।


# মাতৃ

আইজনীৰ বাহ্বাস তেতিয়া দুখবোৰ
পাখীৰ ধৰালৈ ওলাই নাই।
তেতিয়াই আঁতৰাই পঠিয়াইছিল মোক
লেঠা টোপে লেখা সন্তানক বাইজে পাত্তা নাপায়।
আৰম্ভো স্মৃতেং সময়ো ধৰাৰ লৈবলৈ এতিয়াও
আহি থাকো নাই। আজি অলপ সময় খেলিবলৈ,
আহিছিলো, দেউতাকে ধিয়াকিয়ালে তাইক।
কিয়াব্যাস টোপ্লো, তেতেলী জোপাৰ তললৈ
অকালে নাযাবি বুলি।

— জেছমিন বেগম
তৃতীয় ষাণ্মাসিক




# অনুভৱৰ বৰ্ণালি....




# জীৱনৰ দৃষ্টিভংগী

জীৱন মানে কি সঠিককৈ কোৱা টান। সাধাৰণ অৰ্থত জীৱন মানে হ'ল সুখ-দুখ, বিষাদ আনন্দৰ সংমিশ্ৰণ। সময়ৰ প্ৰকৃত ৰহস্য হৈছে জীৱন। জীৱন আৰু সময়ৰ মাজৰ সম্পৰ্ক অতি গভীৰ। কিছুমানে মানুহে কোৱা শুনো জীৱনৰ আন নাম যন্ত্ৰণা, প্ৰতাৰণা কথাষাৰ সঁচা। যন্ত্ৰণাবিহীন জীৱন অৰ্থহীন। এই জীৱনৰ যন্ত্ৰণা সমূহ নেওচি যাব পৰা জনহে প্ৰকৃত মানুহ। জীৱন বৰ অনুপম। কেতিয়াবা পূৰ্ণিমাৰ জোনাক আৰু কেতিয়াবা অৰ্তসীৰ আন্ধাৰ। [illegible] জীৱনত অৰ্তসীৰ আন্ধাৰে পৰা নাই। [illegible] আমাৰে পোহৰ অনুভৱ কৰিব নোৱাৰে। জীৱনৰ স্তৰ চাৰিটা। শৈশৱ, কৈশোৰ, যৌৱন আৰু বৃদ্ধ। প্ৰতিটো স্তৰতে মানুহৰ দৈহিক আৰু মানসিক ভাৱে পৰিৱৰ্তিত হয়। এ.পি.জে আব্দুল কালামে কৈছে— "জীৱন আৰু সময় আটাইতকৈ ডাঙৰ অধ্যাপক। সময়ে জীৱনৰ ব্যৱহাৰ আৰু জীৱনে সময়ৰ



STAGES OF LIFE

ব্যৱহাৰ শিকায়"। এই জীৱন মাথো এবাৰেই পাওঁ। সময়ৰ গতিৰ লগে লগে জীৱন সলনি হয় আৰু তাৰ লগে লগে সলনি হয় মানুহৰ মন মনবোৰ। জীৱনক এখন কোৱাল নদীৰ লগত তুলনা কৰিব পাৰি। ই কেতিয়াবা মানুহক গঢ়ে আৰু কেতিয়াবা নিষ্ঠুৰ হৈ মানুহক ধ্বংস কৰে। কিছুলোকে ক'ব খোজে জীৱনত আমাৰ লগত ঘটা ঘটনাবোৰ ভাগ্যৰ বলত হয়। কিন্তু তেনে কথা নহয়। আমি যি কৰো সিয়ে আমাৰ জীৱন নিৰ্বাহ কৰে। সেয়ে ক'ব পাৰি অলপ হাঁহি, অলপ কান্দোন, অলপ সুখ, অলপ দুখ এইয়াই জীৱন! সঁচাই জীৱন বৰ অনুপম।




নাম:- মিচ্ মীচী বেগম।

পঞ্চম ষাণ্মাসিক।

# ডায়েৰী

কেতিয়াবা ভাবোঁ যে অকলশৰে থকাই শ্ৰেয়। মনৰ সুখ-দুখ, আনন্দ-বিষাদ সকলো নিজৰ মাজত ৰখাই ভাল। আনৰ আগত সেইবোৰ ক'লে আপোনাৰ দুৰ্বলতাটো জানি আপোনাক আৰু মানসিক কষ্টহে দিব। অন্তৰৰ [illegible] কথাবোৰ প্ৰকাশ কৰিবলৈ এখন ডায়েৰীক লগৰী [illegible]। সেইটো জানো যে ডায়েৰীত দিনটোৰ সকলো [illegible] লিপিবদ্ধ কৰা হয়। কিন্তু তাৰ লগতে মনৰ ভাৱবোৰ, ভাল লগাবোৰ যেতিয়া লিখা হ'ব, তেতিয়া ভৱিষ্যতে সেই ডায়েৰীৰ অতীতৰ পৃষ্ঠাবোৰত চকু ফুৰালে সেই ভাল লগাবোৰে হৃদয় স্পৰ্শ কৰি আপোনাৰ ওঁঠত এটি মিচিকিয়া হাঁহি বোলাব।




কেতিয়াবা নিৰৱে থাকিয়েই ভাল লাগে। কিন্তু সেই নিৰৱতা কেতিয়াবা নিসংগতালৈ সলনি হয় গমেই পোৱা নাযায়। এই নিসংগতাক দূৰ কৰিবলৈ ডায়েৰীখনকে সাৰথি কৰি তোলক। হাতত কলম তুলি মনৰ সকলো ভাৱ প্ৰকাশ কৰক ডায়েৰী খনত। চাব আপোনাৰ নিসংগতাখিনি আৰু

আপোনাৰ নগৰী হৈ পৰিছে আপোনাৰে আয়নাখন।

নাম— বিদিশা গোঁহাই ফুকন

পঞ্চম ষাণ্মাসিক।

# ৰাজধানী চহৰ নতুন দিল্লীৰ মিঠা অভিজ্ঞতা

শ্ৰীমতী প্লায়িতা নেওগ
পঞ্চম ষান্মাসিক

আমাৰ সংস্কৃতি.....
আমাৰ গৌৰৱ.....

সঁচাকৈ গৌৰৱান্বিত। ৰাজধানী চহৰ নতুন দিল্লীৰ ৰাজপথত অনুষ্ঠিত গণতন্ত্ৰ দিৱসত নিজেও এগৰাকী গুৰুজনাৰ অমৰ সৃষ্টি সত্ৰীয়া নৃত্য শিল্পীৰ হিচাপে সত্ৰীয়া কেন্দ্ৰৰ অন্তৰ্গত আন ৩২ গৰাকী সত্ৰীয়া নৃত্য শিল্পীৰ লগতে আন ১৫০০ শাস্ত্ৰীয় আৰু লোক নৃত্য শিল্পীৰ সৈতে অংশগ্ৰহণ কৰিবলৈ পাই অতি সৌভাগ্য অনুভৱ কৰিছোঁ।


অসম চৰকাৰৰ সংগীত নাটক একাডেমিয়ে ২৬ জানুৱাৰী তাৰিখে দেশৰ গণৰাজ্য দিৱসত পৰিৱেশন কৰিবলগীয়া সাংস্কৃতিক অনুষ্ঠানত সত্ৰীয়া নৃত্যৰ বাবে ৩২ গৰাকী নৃত্যশিল্পী বাচনি কৰিছিল। শিৱসাগৰ জিলাৰ তিনিগৰাকী নৃত্যশিল্পীৰ মাজত মইয়ো এগৰাকী হ'বলৈ পাই সুখী অনুভৱ কৰিছিলোঁ। ২০২৩ চনৰ ডিচেম্বৰ মাহত মোৰ সতীৰ্থ সকলৰ সৈতে দিল্লীলৈ বুলি ৰাওনা হৈছিলোঁ। তেতিয়াৰ পৰাই আমি ২০২৪ চনৰ ২৫ জানুৱাৰী লৈকে নৃত্যৰ অনুশীলন কৰিছিলোঁ। একো ন পৰিৱেশ, ন জলবায়ু আৰু বহুতো অচিনাকি মুখ তথাপিও বন্ধুত্বৰ এক আপোনতা বান্ধোন গঢ়ি উঠিছিল। সুচতে সকলোৰে লগত মিলা-প্ৰীতি


অঘুনিৰে আমি অকলোবোৰ জী উঠিছিলো নতুনকৈ।

এনেকৈয়ে দিন আহে ৰাতি যায়। সময় অতীতৰ ইতিহাস। সময়ক হাতৰ মুঠিত ধৰি ৰখাৰ সাহস কাৰোৱেই নাই। সময়ে দি যায় কেৱল বাকচ ভৰ্তি অদৃশ্য এগোপা সোঁৱৰণি আৰু স্মৃতি। ঠিক এইদৰে দিল্লীৰ ভাললগা সময়বোৰ স্মৃতি হিচাপে থাকি গ'ল। যেই ঘটনাবলী পাহৰা নিনাবো, তুমি পাৰা তই আৰু দিল্লীৰ সেই অৰু অৰু কেঁকুৰিবোৰ সেয়ে চিনাকী হৈছিলহে কিন্তু সময়বোৰ যে বৰ নিষ্ঠুৰ দিল্লীয়ে যেন হাত বাউল দি মাতি আছে আমাক বিদায় জনাবলৈ।

সময়...... আৰু বান্ধিব পৰা হ'লে তোক আজীৱন উদযাপন কৰিলো হয় উমাল মুহূৰ্তৰ সোণালী সময়বোৰ। দিল্লীৰ এই সোণোৱালী সময়খিনি মোৰ স্মৃতিপটত চিৰদিনে নমস্য হৈ থাকিব।

# চলচিত্র সমালোচনা






# চলচ্চিত্ৰ সমালোচনা

শ্ৰীমতী ডিম্পী দুৱৰা।
পঞ্চম ষাণ্মাসিক।

২০১৭ চনত ৰীমা দাসৰ দ্বাৰা পৰিচালিত এখন অসমীয়া বোলছবি হৈছে 'ভিলেজ ৰকষ্টাৰ্ছ' এই চলচ্চিত্ৰখনে চলচ্চিত্ৰ জগতত এক নতুন দিশ উন্মোচন কৰিছে। যোৱা কেইবছৰে অসমীয়া চলচ্চিত্ৰৰ সীমাবদ্ধতাৰ মাজতো 'ভিলেজ ৰকষ্টাৰ্ছ' এক ব্যতিক্ৰমী উদাহৰণ হিচাপে পৰিগণিত হৈছে। বোলছবিখন ২০১৭ চনত বিভিন্ন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শিত হৈছে। এই ছবিখনে ২০১৮ চনত ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বটা পাইছে। বোলছবি নিৰ্মাণত কোনো আনুষ্ঠানিক শিক্ষা নোলোৱা ৰীমা দাসৰ 'ভিলেজ ৰকষ্টাৰ্ছ' এইখন দ্বিতীয় দীঘলীয়া ছবি ৰীমা দাস এই ছবিৰ চিত্ৰনাট্যকাৰ, কাৰ্যবাহী নিৰ্মাতা, সম্পাদক, চিত্ৰনাট্যকাৰ আৰু প্ৰডাকচন ডিজাইনাৰ ২০১৭ চনত 'ভিলেজ ৰকষ্টাৰ্ছে' 'ফিল্ম ক্ৰিটিক্‌ছ চাৰ্কল অৱ ইণ্ডিয়াৰ শ্ৰেষ্ঠ ভাৰতীয় ছবিৰ বটা লাভ কৰে।



বোলছবিখনৰ কাহিনী এগৰাকী কিশোৰী ধুনু আৰু তাইৰ সপোনৰ আধাৰত নিৰ্মিত এই ছবিখনৰ কাহিনী একেবাৰে সৰল, কিন্তু তেনে

সৰল কাহিনীৰ মাজেৰে ছবিখনে জীৱনৰ গভীৰতা মানুহৰ আশা-আকাংক্ষা আৰু জীৱনৰ কঠোৰ বিষয়ে গভীৰ চিন্তাধাৰা প্ৰকাশ কৰিছে। সমাজৰ ঘাট-প্ৰতিঘাতৰ মাজত বুলুৱে নিজৰ এটা বেণ্ড গঠন কৰা সপোন বুকুত কঢ়িয়াই লৈ ফুৰে। ১০ বছৰীয়া বুলু, তাইৰ ককায়েক নৰেন্দ্ৰ আৰু মাক বাসন্তী। কামৰূপ জিলাৰ ছয়গাঁৱত বসবাস কৰে। বুলুৰ মাকে এখনি সৰু দোকানৰ জৰিয়তে পৰিয়াল পোহপাল কৰে। এদিন তাই মাকৰ লগত স্থানীয় অনুষ্ঠান এটিত দোকান দি থাকোতে বুলুৱে এটি বেণ্ডৰ অনুষ্ঠান দেখিলে। বেণ্ডৰ অনুষ্ঠান দেখি বুলুৱে নিজকে এজন গীটাৰ লোৱাৰ সপোন দেখিলে। গাঁৱৰ ল'ৰা-ছোৱালীয়ে সেই বেণ্ডটোক নকল কৰি সততে পোৱা বস্তুৰে বাদ্য সাজি বেণ্ড বেণ্ড খেলিবলৈ ল'লে। বুলুৱে বহুখিনি জিনিস যেন্দ্ৰিষ্কক অনুকৰণ কৰি এখন নকল গীটাৰ অনবৰতে নিজৰ লগত কঢ়িয়াই ফুৰিবলৈ ধৰে।

বুলুৱে এক কমিক্স কিতাপ পঢ়ি এটা আলো বেণ্ড গঠন কৰি আপোন বাদ্যযন্ত্ৰ বজাবলৈ সন্ধু কৰে। তাৰ পাছত টকা এটাকৈ সাঁচি তাই অৱশেষত এখন বৈদ্যুতিক গীটাৰ কিনাৰ সপোন দেখে, টুকুৰা বাতৰি কাকতৰ এটা প্ৰবন্ধ পঢ়ি বুলুৰ মন আৰু বেছি দৃঢ় হয়। তাই বুজি পায় যে ধৈৰ্য্যক চিন্তাৰ

দ্বাৰাই তেওঁৰ নদিন সপোন সাৰ্থক হ'ব।

। ভিলেজ ৰকষ্টাৰছত অধিকাংশ অভিনেতা-অভিনেত্ৰী অপেশাদাৰী আৰু তেওঁলোকৰ অভিনয় একেবাৰে প্ৰকৃত আৰু প্ৰাকৃতিক হৈ পৰিছে। ধুনু আৰু তাইৰ মাতৃৰ মাজৰ সম্পৰ্কৰ অনুভূতিপূৰ্ণ চিত্ৰণ চলচ্চিত্ৰটোৰ এক মুখ্য আকৰ্ষণ।

বোলছবিখন কামৰূপী উপভাষাত নিৰ্মাণ কৰা হৈছে।

# মহৎ লোকৰ বাণী

শ্ৰীমতী কংকনা দুৱৰা
স্নাতক তৃতীয় ষাণ্মাসিক

১/ মানুহে তোমাক নাজানে বুলি আক্ষেপ নকৰিবা। এনেকৈ কাম কৰা যাতে তুমি জানিবৰ যোগ্য হোৱা।

— কনফুচিয়াছ।

২/ ভাগ্যক কেতিয়াও বিশ্বাস নকৰিবা, বিশ্বাস কৰিবা তোমাৰ শক্তিক।

— লক্ষ্মীনাথ বেজবৰুৱা।

৩/ মাতৃ হৃদয়খনেই সন্তানৰ শ্ৰেণীকোঠা।

— হেনৰী বাৰ্ড।



৪/ তুমি যেতিয়া ঈশ্বৰৰ সন্মুখত থিয় হ'বা তেওঁ তোমাৰ মেডেল, ডিগ্ৰী আৰু ডিপ্লোমাবোৰ চাব লৈ নিবিচাৰিব। তেওঁ বিচাৰিব জীৱনৰ ৰণাংগনত তোমাৰ শৰীৰে পোৱা আঘাত অথবা ক্ষত চিহ্নবোৰ।

— ইলবাৰ্ট হাবাৰ্ড।

৫/ যাৰ দুই চকু ফুটিল তেওঁ অন্ধ নহয়, যিজনে নিজৰ দোষ ঢাকি ৰাখি আনৰ দোষ খুচৰি ফুৰে তেওঁহে প্ৰকৃত অন্ধ।

— মহাত্মা গান্ধী।

৬/ অতীতৰ ফালে চাবৰ প্ৰয়োজন নাই। আগৰ ফালে চোৱা। তোমাক লাগে অসীম শক্তি, দুৰ্জয় সাহস আৰু অসীম ধৈৰ্য্য। তেতিয়াহে আমাৰ উদ্দেশ্য সাধন কৰিব পাৰিম।

— স্বামী বিবেকানন্দ।

# কুইজ

১/ ২০২৩-২০২৪ বৰ্ষৰ অসম সাহিত্য সভাৰ ডেকাগিৰি বঁটা কাক প্ৰদান কৰা হৈছে?

উঃ-> ড° সূৰ্যকান্ত হাজৰিকা।

২/ ২০২৪ চনৰ গ্ৰেণ্ড প্ৰিক্সত অসমৰ পাৰা ৰূপৰ পদক কোনে লাভ কৰিছে?

উঃ-> লাভলীনা বৰগোহাঁই

৩/ ৰাজ্যত কন্যা শিক্ষাৰ প্ৰসাৰ আৰু বাল্যবিবাহৰ অন্ত পেলাবলৈ অসম চৰকাৰে কোনখন আঁচনি আৰম্ভ কৰিছে?

উঃ-> মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনি।

৪/ শেহতীয়াকৈ কোনে গুৱাহাটী উচ্চ ন্যায়ালয়ত মুখ্য ন্যায়াধীশ হিচাপে শপত গ্ৰহণ কৰে?

উঃ- Justice Vijay Bishnoi

৫/ কাজিৰঙাক কিমান চনত ৰাষ্ট্ৰীয় উদ্যান হিচাপে ঘোষণা কৰা হৈছিল?

উঃ-> ১৯৭৪ চনত।

সংগ্ৰাহক —
— শ্ৰীমতী লেখিকা ভূঞা
— পঞ্চম ষাণ্মাসিক।

# সাঁথৰ

১/ এভালে মাৰিলে দুখন চাল ?

⇒ কলপাত ।

২/ দিনত ভৰি পাৰে কৰা-কোৰালী, ৰাতি নাথাকে কোনো প্ৰাণী ?

⇒ পাঢ়াশালি ।

৩/ দেশ আছে মানুহ নাই, নদী আছে পানী নাই।

⇒ মানচিত্ৰ ।

৪/ ওঁঠোতে খুলিহে তৃপ্তি পায়, যাওঁতে মাৰি যাবে বাবে চায় ?

⇒ তলা চাবি ।

৫/ পাত আছে ডাল নাই, কথা আছে মাত নাই ।

⇒ কিতাপ ।

সংগ্ৰহক —

— কনকনা বৰগোঁহাই ।

— পঞ্চম ষান্মাসিক ।

# কৌতুক



১/ অভয় : "ককা আপুনি শুই থাকিলেও চছমা কিয় পিন্ধে ?"

ককা : "যাতে মই সপোনবোৰ স্পষ্টকৈ দেখো।"

২) শিক্ষক : কোৱাচোন অভাৱ কাক বোলে ?

ছাত্ৰ : ছাত্ৰ ওচৰ-চুবুৰীয়াই ৰেডিঅ, টি.ভি, স্কুটাৰ আদি কিনিলে আমাৰ মনত যি ভাবৰ উদয় হয় তাকে অভাৱ বোলে।

৩) ৰাতি ভাত খোৱাৰ লগে লগে শুব নাপায়।
সেইকাৰণে অলপ সময়
ফেচবুক আৰু হোৱাটছএপ চলাব লাগে ;
যাতে খোৱাখিনি হজম হয়।

সংগ্ৰহক —
শ্ৰীমতী দীপশিখা দুৱৰা।
পঞ্চম ষাণ্মাসিক।

# ৰেচেপি

গেছটো চিমত দি মুগী মাংস আৰু কলপাছলা খিনি ভাজি থাকক। তাৰ পিছত হিচাপত পানী দি মাংসখিনি সিজিবলৈ দিয়ক। যেতিয়া মুগী মাংস আৰু কলপাছলাখিনি সিজিব, তেতিয়া নমাই দি গৰমে গৰমে ভাতৰ লগত পাৰিবেশন কৰক।

ওটেঙা আলুৰে ৰন্ধা মাছৰ জোল :–

উপকৰণ :– ১/ মাছ – ৪/৫ টুকুৰা

২/ ওটেঙা – ১ টুকুৰা কৰি লোৱা

৩/ আলু – ৩/৪ টা (টুকুৰা কৰি লোৱা)

৪/ তেল – জোখ অনুপাতে

৫/ পাঁচফোৰন – অলপমান

৬/ কেচা জলকীয়া – ৩/৪ টা

৭/ ধনিয়া পাত – এমুঠি

৮/ নিমখ, হালধি – জোখ অনুপাতে

প্ৰস্তুত প্ৰণালী :– প্ৰথমে এটা মেছাৰ টুকুৰাত ওটেঙা আৰু তাৰ আলু দি হিচাপমতে পানী দি দুটা দুটা হুইচেল মৰাই নমাই দিব। এতিয়া মাছ কেইটুকুৰাত নিমখ, হালধি সানি ফ্ৰাই কৰি লব। এতিয়া এখন

কেৰাহীত তেল দি পাঁচ ফোৰন, কেচা জলকীয়া দি
বয়ল কৰি লোৱা ওটেঙা আৰু আলুমিনি দিব।
হিচাপ মতে নিমখ, হালধি দি লবাই পাচলাখিনি
অলপ মান সময় ভাজি লৈ জোখমতে পানী দি
ভজা মাছকেই টুকুৰা লগত দি ভালদৰে উতলিবলৈ
দিব। যেতিয়া মাছৰ আঞ্জাখিন ভালদৰে উতলিব
লৈ দিব। যেতিয়া মাছৰ আঞ্জাখিন ভালদৰে উতলিব,
তেতিয়া কেচা ধনীয়া পাত কাটি দি নমাই দিব।
এতিয়া মাছৰ আঞ্জাখিন ভাতৰ লগত গৰমে গৰমে
পৰিবেশন কৰিব।

— শ্ৰীমতী জাহ্নৱী দাস
— তৃতীয় ষান্মাসিক।

